Content includes AI-generated material

দেৰগাঁৱত ফেক্টৰীত শ্ৰমিকৰ কৰুণ মৃত্যু



বিতং বাতৰি ৮ নং পৃষ্ঠাত

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, FEBRUARY 21, 2025 ■ শুকুৰবাৰ, ৮ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৫৬ Guwahati, Assam ।। মূল্যঃ এটকা

## আক্ৰমণৰ ঘটনাক নিন্দা কংগ্ৰেছৰ

ই-সংবাদ, ২০ ফেব্ৰুৱাৰীঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে সাংসদ ৰকিবুল হুছেইনৰ আক্ৰমণত জড়িত ২ পৃষ্ঠাত

## ৰূপহী আমাৰ জাগা নহয় বুলি ক'লে চিএমে

### বঢ়াই দিব নিৰাপত্তা!

ই-সংবাদ, ২০ ফেব্ৰুৱাৰীঃ ৰকিবুল হুছেইনক বৰ্বৰভাৱে কৰা আক্ৰমণক ৬ পৃষ্ঠাত

## গুৱাহাটীত ভূমিহীনৰ তীব্ৰ প্ৰতিবাদ

### উত্তাল লালমাটি

ই-সংবাদ, ২০ ফেব্ৰুৱাৰীঃ ৰাজ্য চৰকাৰৰ বসুন্ধৰা আঁচনিৰ জৰিয়তে ভূমিপট্টা দাবী কৰি আজি মহানগৰীৰ লালমাটিত কেইবা শেষাংশ ৩ পৃষ্ঠাত

## শপত ল'লে দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই



নতুন দিল্লী, ২০ ফেব্ৰুৱাৰীঃ ২৭ বছৰৰ মূৰত দিল্লীত পুনৰ ক্ষমতালৈ আহিল বিজেপি। বৃহস্পতিবাৰে ৬ পৃষ্ঠাত

ৰূপহীহাটত ৰকিবুল হুছেইনৰ সৈতে অভাৱনীয় ঘটনা, আইন-শৃংখলাৰ অৱনতি

# দিন-দুপৰতে ৰাজপথত সাংসদক পুত্ৰ সহিতে আক্ৰমণ

### ক'লা কাপোৰ বান্ধি অহা দুৰ্বৃত্তই বেটেৰে কৰিলে প্ৰহাৰ

সাৰি নগ'ল দেহৰক্ষী, দুৰ্বৃত্তই দেহৰক্ষীকো আগচি ধৰি লৈ জধে-মধে কৰিলে প্ৰহাৰ

ই-সংবাদ, পুৰণিগুদাম, ২০ ফেব্ৰুৱাৰীঃ বিধানসভাৰ ৫ সমষ্টিৰ উপ-নিৰ্বাচনৰ সময়ত অসমত হঠাৎ দেখা দিয়া বিহাৰ-উত্তৰ প্ৰদেশ সদৃশ ৰাজনীতিক লৈ সচেতন মহল শংকিত হৈ পৰাৰ সময়তে আজি নগাঁও জিলাৰ শেষাংশ ৩ পৃষ্ঠাত



ক্ৰিকেট বেটেৰে দেহৰক্ষীৰ সমুখতে সাংসদক আক্ৰমণ


## শিক্ষাখণ্ডৰ ওলাল স্বৰূপ! ৰাজ্যত ২১,৯৬১খন বিদ্যালয়ত আজিও নাই পৃথক কোঠা



ই-সংবাদ, ২০ ফেব্ৰুৱাৰীঃ ৰাজ্যৰ ৰাজহুৱা শিক্ষাখণ্ডৰ পয়ালগা অৱস্থাটো আকৌ এবাৰ স্পষ্ট হ'ল অসম বিধানসভাৰ মজিয়াত। বাজেট অধিৱেশনত এজন বিধায়কৰ প্ৰশ্নৰ উত্তৰত চৰকাৰী শিক্ষাখণ্ডৰ ভয়াৱহ শেষাংশ ৪ পৃষ্ঠাত

## এডভাণ্টেজ আছাম ২.০ বিনিয়োগ হ'ব ডেৰ লাখ কোটি

ই-সংবাদ, ২০ ফেব্ৰুৱাৰীঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৪ ফেব্ৰুৱাৰীত সৰুসজাই ষ্টেডিয়ামত বিশাল ঝুমুৰ নৃত্যৰ প্ৰদৰ্শন উপভোগ কৰিব। সেইদিনা সন্ধিয়া খানাপাৰাৰ ৫ পৃষ্ঠাত



অখিলৰ পত্নীৰ চাকৰি, চিএমৰ পত্নীৰ প্ৰাইভেট স্কুল

## বিধানসভাত 'পত্নী'ক লৈ আঠ মিনিট চলিল চৰ্চা!

ই-সংবাদ, ২০ ফেব্ৰুৱাৰীঃ বাজেট অধিৱেশনৰ আজি তৃতীয়টো দিনত তৰুণ গগৈ চৰকাৰৰ কাম-কাজক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিৱসাগৰৰ বিধায়ক অখিল গগৈৰে মাজত কমেও ৮ মিনিট সময় তৰ্কযুদ্ধ হোৱা শেষাংশ ৪ পৃষ্ঠাত





## সভাপতি সলনি! হাইকমাণ্ডে সকলো জানিবঃ দেৱব্ৰত

ই-সংবাদ, ২০ ফেব্ৰুৱাৰীঃ বাৰে বাৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি সলনি কৰি যোৰহাটৰ সাংসদ গৌৰৱ গগৈক সভাপতি পাতিব বুলি চৰ্চাৰ মাজতে সভাপতি শেষাংশ ৩ পৃষ্ঠাত

## শংকৰ সংঘ-আহোম সংগঠনৰ সংঘাত তুংগত

ই-সংবাদ, মৰাণ, ২০ ফেব্ৰুৱাৰীঃ শংকৰ সংঘৰ সংবিধানৰ প্ৰতিলিপি সোণাৰিত টাইপাই দাহ কৰাৰ পিছতে ৰাজ্যৰ বিভিন্ন থানাত শংকৰ সংঘৰ ফালৰ পৰা টাইপাৰ বিৰুদ্ধে দাখিল কৰিছিল একাধিক এজাহাৰ। এজাহাৰ দাখিল কৰাৰ পিছতে সংঘৰ বিৰুদ্ধে এপ্ৰকাৰৰ জাগুৰ খাই উঠাৰ লগতে জংগী হৈ পৰিছে টাইপাকে ধৰি আহোমৰ কেইবাটাও ৬ পৃষ্ঠাত

শংকৰ সংঘৰ সদস্যপদ থকা আহোমক জাতিগত প্ৰমাণ পত্ৰ নিদিয়াৰ হুংকাৰেৰে ১০টা আহোম সংগঠনৰ সংবাদমেল

## যোগীক কুম্ভৰ পানী খাবলৈ চেলেঞ্জ

### বিশাল দাদলানীৰ খং

নতুন দিল্লী, ২০ ফেব্ৰুৱাৰীঃ মহাকুম্ভৰ পানী খোৱাৰ উপযোগী বুলি দাবী কৰিছিল উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে! কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ শেষাংশ ৬ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আক্ৰমণৰ ঘটনাক নিন্দা কংগ্ৰেছৰ

দুৰ্বৃত্তক তাৎক্ষণিকভাৱে গ্ৰেপ্তাৰ কৰিবলৈ দাবী জনাইছে। এই আক্ৰমণ ৰাজনৈতিক আৰু জনপ্ৰতিনিধিসকলৰ প্ৰতি ভাবুকি বুলি কয় প্ৰদেশ কংগ্ৰেছ। ইপিনে কংগ্ৰেছে ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই আক্ৰমণৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ কৰে। ধুবুৰীৰ ৰাজীৱ ভৱনৰ বাহিৰত কংগ্ৰেছৰ নেতা-কৰ্মীয়ে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। বিলাসীপাৰাৰ গান্ধী চ'কত শ শ কংগ্ৰেছী নেতা-কৰ্মীয়ে হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ২৪ ঘণ্টাৰ ভিতৰত দুৰ্বৃত্তক গ্ৰেপ্তাৰৰ দাবী জনাই কংগ্ৰেছ নেতা-কৰ্মীয়ে। নলবাৰীতো জিলা যুৱ কংগ্ৰেছে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত কংগ্ৰেছে প্ৰতিবাদ সাব্যস্ত কৰাৰ মাজতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই গৃহমন্ত্ৰী হিচাপে হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপি দলৰ চৰকাৰ মানুহৰ জীৱন-সম্পত্তিক নিৰাপত্তা দিয়াত ব্যৰ্থ হোৱা বুলি দাবী কৰে। এজন জনপ্ৰতিনিধিক ৰাস্তাত আক্ৰমণ কৰা হয়। মোকো ৰাহুল গান্ধীৰ সৈতে ন্যায় যাত্ৰাৰ সময়ত চতিয়া থানাৰ সন্মুখত আৰক্ষীৰ সন্মুখতে বিজেপিৰ গুণ্ডাই আক্ৰমণ কৰা হৈছিল। গোচৰ দিয়াৰ পিছতো একো নহ'ল। আজি ৰকিবুল হুছেইনক আক্ৰমণ কৰা গুণ্ডাসকল ভিডিঅ'ত ওলাই আছে। তাৰ পিছতো যদি গ্ৰেপ্তাৰ নকৰে তেন্তে অসমত যে জংঘলৰাজ আৰু অৰাজক পৰিস্থিতিৰ সৃষ্টি কৰাত মুখ্যমন্ত্ৰীয়ে নেতৃত্ব লৈছে সেয়া প্ৰমাণ হ'ব। আৰক্ষীক প্ৰশ্ন কৰি ভূপেন বৰাই আৰু কয় যে পুলিচ বিভাগ যে বিজেপিৰ হাথিয়াৰলৈ পৰ্যবসিত হৈছে সেই কথা অসমৰ ৰাইজে ভাবিবলৈ বাধ্য হ'ব। ৰকিবুল হুছেইনক আক্ৰমণৰ পিছতে যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰীৰ এনে মনোভাৱৰ বাবে চোৰ, ডকাইত, চোৰাং ব্যৱসায়ীসকলক উৎসাহিত হ'ব বুলি কয়। এই আক্ৰমণ গণতন্ত্ৰৰ প্ৰতি ভাবুকি আৰু অসমৰ ৰাইজে এই গুণ্ডা ৰাজ সংস্কৃতিৰ পৰা মুক্তি বিচাৰে বুলি কয়। অসমত কংগ্ৰেছৰ লোকসভাৰ এজন সাংসদক ব্যস্ত বজাৰত দিনৰ পোহৰত আক্ৰমণ কৰা হৈছে। গুণ্ডাসকলে আনকি আৰক্ষী নিৰাপত্তা বিষয়াসকলক আক্ৰমণ কৰিছে। তেওঁলোকৰ অস্ত্ৰ-শস্ত্ৰ কাঢ়ি নিবলৈ চেষ্টা কৰিছিল। এই সকলোবোৰ কেমেৰাত ৰেকৰ্ড হৈছে। তথাপিও অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুণ্ডাসকলক তৎক্ষণাৎ গ্ৰেপ্তাৰ কৰা হ'ব বুলি নিশ্চিত দিবলৈ অস্বীকাৰ কৰিছে। মুখ্যমন্ত্ৰীয়ে অন্ততঃ অসম আৰক্ষী আৰু বজাৰত নিৰীহ নাগৰিকসকলৰ প্ৰতি তেওঁৰ সাংবিধানিক কৰ্তব্যৰ কথা চিন্তা কৰা উচিত। যদি গুণ্ডাসকলে মেচিন গানটো ধৰি ল'লেহেঁতেন, তেন্তে এক ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা কৰে গগৈয়ে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই ঘটনাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে দিন দুপৰতে এজন সাংসদক আক্ৰমণ কৰা কথাটোৱে আৰক্ষীৰ যে অপৰাধ সন্দৰ্ভত জ্ঞান নাই তাকে বুজাইছে। মন্ত্ৰী, বিধায়ক, সাংসদ এটা এলেকালৈ গ'লে আৰক্ষীক আৱগত কৰে। আৰক্ষীয়ে সেই মতে, ব্যৱস্থা কৰে। যিহেতু ৰকিবুল হুছেইনৰ ওপৰত তেনে ঘটনা হৈয়ে আছে। তেনে অৱস্থাত আৰক্ষী সস্থম হৈ থাকিব লাগিছিল। কিন্তু আৰক্ষীয়ে কোনো ব্যৱস্থাই গ্ৰহণ নকৰিলে।

# মন্দিয়া প্ৰাথমিক শিক্ষা বিষয়াৰ মইমতালিৰে চলিছে ৮৬৭ নং ফুলনৈ চৰ এম ই স্কুল

**ই-সংবাদ, শিমলীতোলা, ২০ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ মন্দিয়া শিক্ষা খণ্ডৰ অন্তৰ্গত ৮৬৭ নং ফুলনৈ চৰ এম ই স্কুলত প্ৰায় এশ দহজন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে মাত্ৰ তিনিজন টিউটৰ শিক্ষকে পাঠাদান কৰি আছে। শ্বাহজাহান আলী আহমেদ নামৰ এজন স্থায়ী শিক্ষক আছে যদিও বৰ্তমান চি আৰ চি চি হিচাপে কৰ্মৰত। সমগ্ৰ শিক্ষাৰ নিয়ম মতে চি আৰ চি চি হ'বলৈ হ'লে এজন বা দুজন শিক্ষক থকা বিদ্যালয়ৰ শিক্ষক যোগ্য নহয়। প্ৰধান শিক্ষক বা প্ৰধান শিক্ষয়িত্ৰীও যোগ্য নহয়। হাই পি টি আৰ স্কুলৰ শিক্ষক যোগ্য নহয় (নিম্ন প্ৰাথমিকৰ ক্ষেত্ৰত পি টি আৰ ১:৩০ তকৈ বেছি হ'ব নালাগে, উচ্চ প্ৰাথমিকৰ ক্ষেত্ৰত পি টি আৰ ১:৪০ তকৈ বেছি হ'ব নালাগে। আবেদনকাৰী শিক্ষকক বাদ দি বিদ্যালয়ৰ পি টি আৰ গণনা কৰিব লাগিব। সেই হিচাপত বৰ্তমান চি আৰ চি চি জন প্ৰাথমিক বিদ্যালয়ৰ একমাত্ৰ স্থায়ী নিযুক্তি লাভ কৰে য'ত ৫৮ জন ছাত্ৰ-ছাত্ৰী আছে। অৱশ্যে পৰৱৰ্তী সময়ত ওচৰৰে ৮৬৭ নং ফুলনৈ চৰ এম ই স্কুলৰ লগত একলগ কৰি দিয়াত ১১০ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে তিনিজন টিউটৰ শিক্ষক আৰু এজন স্থায়ী শিক্ষক শ্বাহজাহান আলী আহমেদক লৈ চাৰিজন শিক্ষক যদিও পেৰেণ্ট স্কুল বা চি আৰ চি চি এলেকাৰ কোনো স্কুলতে কোনো দিনে পাঠদান নকৰাকৈ নীতি বহিৰ্ভূতভাৱে দীৰ্ঘদিন ধৰি চৰকাৰী দৰমহা ভোগ কৰি অহাৰ লগতে ছাত্ৰ অনুপাতে শিক্ষক নথকা ফলত ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত শিক্ষা লাভৰ পৰা বঞ্চিত হোৱাৰ পিছত চি আৰ চি চি শ্বাহজাহান আলী আহমেদক চৰকাৰী নীতি-নিৰ্দেশনা উলংঘা কৰি মন্দিয়া প্ৰাথমিক শিক্ষা বিষয়া মাধৱ পাটগিৰিয়ে মইমতালিৰে কি স্বাৰ্থত চি আৰ চি চি কৰি ৰাখিছে বুলি সচেতন ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। লগতে স্কুলখনত দীৰ্ঘদিন ধৰি ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকক লৈ টনা-আঁজোৰা চলি থকাৰ মাজতে সহকাৰী শিক্ষক শুকুৰ মাহমুদ আৰু চি আৰ চি চি শ্বাহজাহান আলীয়ে বিভিন্ন সময়ত ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ দায়িত্বত থকা আবুল হুছেইন ভুএগ্রাৰ বিৰুদ্ধে বিভিন্ন সময়ত ভিত্তিহীন অভিযোগ তুলি বিভাগক অভিযোগ দিয়ে যদিও তাৰ কোনো সত্যতা নথকাত আৰু সকলো তথ্য বিভাগীয়ভাৱে দাখিল কৰাত ষড়যন্ত্ৰকাৰীসকলৰ আচল তথ্য পোহৰলৈ আহে। দুৰ্ভাগ্যজনকভাৱে পুৰণা কিছু ভুৱা ভিত্তিহীন অভিযোগ বৰ্তমানও একাংশ সাংবাদিকে তথ্যৰ সত্যতা নিৰূপণ নকৰাকৈ আক্ৰোশমূলকভাৱে মনেসজা বাতৰি পৰিৱেশন কৰি আছে। উল্লেখ্য যে এজন মাত্ৰ স্থায়ী শিক্ষক যদিও বৰ্তমান চি আৰ চি চি হিচাপে কাম কৰি থকাৰ ফলত বাকি তিনিজন টিউটৰ শিক্ষকৰ মাজৰ পূৰ্বৰ এম ই স্কুলৰ প্ৰধান শিক্ষক আব্দুল হুছাইন ভুএগ্র জইনিং হিচাপে জ্যেষ্ঠতাৰ ভিত্তিত ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক দায়িত্বত আছিল যদিও চক্ৰান্তমূলকভাৱে চি আৰ চি চি শ্বাহজাহান আলী আহমেদৰ সহযোগত মন্দিয়া প্ৰাথমিক শিক্ষা বিষয়া মাধৱ পাটগিৰিয়ে জ্যেষ্ঠতাৰ নীতি পৰিহাৰ কৰি জ্যেষ্ঠজনৰ এন অ' চি নোলোৱাকৈ নিজ ইচ্ছাৰে পূৰ্বৰ সহকাৰী শিক্ষক শুকুৰ মাহমুদক ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক হিচাপে নিৰ্দেশনা জাৰি কৰা ঘটনাই সচেতন মহলৰ চকু কপালত তুলিছে। শিক্ষকৰ অভাৱ পূৰণ কৰিবলৈ এজন মাত্ৰ স্থায়ী শিক্ষক শ্বাহজাহান আলী আহমেদক স্থায়ী শিক্ষক হিচাপে প্ৰধান শিক্ষকৰ দায়িত্ব দিবলৈ বিষয়টো জিলা আয়ুক্তৰ লগতে শিক্ষা বিভাগৰ বিষয়াক তদন্ত সাপেক্ষে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে স্থানীয় ৰাইজে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সভাপতি সলনি! হাইকমাণ্ডে সকলো

সলনিৰ বাবে একাংশ বিধায়কৰ স্বাক্ষৰযুক্ত পত্ৰ দিল্লীৰ কেন্দ্ৰীয় নেতৃত্বলৈ প্ৰেৰণ কৰা বুলি ব্যাপক চৰ্চা হৈ আহিছে। এই চৰ্চাৰ মাজতে আজি বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াই প্ৰতিক্ৰিয়া ব্যক্ত কৰি নিজ দলৰ বিৰুদ্ধেই কেইবাটাও প্ৰশ্ন তোলা পৰিলক্ষিত হৈছে। দেৱব্ৰত শইকীয়াৰ পৰা সাংবাদিকে এই বিষয়ত মন্তব্য জানিব খোজাত প্ৰথমে বিষয়টোৰ পৰা আঁতৰিব খোজে যদিও নকও নকও বুলিও বহু কথাই কৈ গ'ল। সভাপতি পদক লৈ ৰাজীৱ ভৱনত যে গোপন চৰ্চা চলিছে সেই কথা আওপকীয়াকৈ স্বীকাৰ কৰে। শইকীয়াই নিজৰ উদাহৰহণ দি কয় যে মোকো পাৰফৰ্মেন্স বেয়া বুলি ক'লে মোৰ তাত আপত্তি কৰাটো উচিত নহ'ব। এনে মন্তব্যৰ দ্বাৰা ভূপেন বৰাৰ পাৰফৰ্মেন্সিক লৈ প্ৰশ্ন কৰাৰ দৰেই হ'লে নেকি বুলি প্ৰশ্নৰ অৱতাৰণা কৰা হয়। বিৰোধী দলপতি শইকীয়াই কয় যে গোপনীয়ভাৱে কৰিছে যদি মই নাজানো। মোৰ হাতত তেনেকুৱা কোনো তথ্য নাই। হাইকমাণ্ডে ভূপেন বৰাক ইয়াত নেতৃত্ব ল'বলৈ দায়িত্ব দিছে। নেতৃত্ব কৰিব লাগে নে নালাগে সেইবোৰ চোৱাৰ দায়িত্ব হাইকমাণ্ডৰ। আমি দলৰ তৃণমূলৰ কৰ্মী। মোকো পাৰফৰ্মেন্স বেয়া বুলি ক'লে মোৰ তাত আপত্তি কৰাটো উচিত নহ'ব। মোৰ বিৰুদ্ধেও ২০১৬ চনৰ পৰা যথেষ্ট চহী হৈছিল, দিল্লীলৈ গৈছিল। কিন্তু হাইকমাণ্ডে মোকে বৰ্তাই ৰাখিলে। এইবাৰ মই নহওঁ বুলি কৈছিলো যদিও মোকে দিলে। গতিকে সকলো হাইকমাণ্ডৰ ওপৰতে নিৰ্ভৰ কৰে। ৰকিবুল হুছেইন আৰু ভূপেন বৰাৰ মাজৰ সংঘাত সন্দৰ্ভত দেৱব্ৰত শইকীয়াই উত্তৰ দি কয় যে সৰিয়হৰ ডুলিত ভূত থকাৰ দৰে ৰাজীৱ ভৱনতো কংগ্ৰেছৰ বিষয়ে বেয়া চিন্তা কৰা মানুহ থাকিব পাৰে। বিজেপিৰ বিৰুদ্ধে সকলো এক হোৱা উচিত বুলি কয় শইকীয়াই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত ভূমিহীনৰ তীব্ৰ প্ৰতিবাদ

শতাধিক লোকে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ভূমি অধিকাৰ সংগ্ৰাম সমিতিৰ উদ্যোগত হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ ৰাজপথলৈ ওলাই অহা লোকসকলে চৰকাৰ বিৰোধী শ্লʼগানেৰে উত্তাল পৰিস্থিতিৰ সৃষ্টি কৰে। ৰাজ্য চৰকাৰ হায়ঃ হায়ঃ, নিৰ্বাচনত দিয়া প্ৰতিশ্ৰুত পূৰণ কৰক, ২০২১ চনৰ ১৮ জুনৰ পট্টা দিয়াৰ ভিত্তিবৰ্ষ বাতিল কৰক, নন-কে ভূমিৰ পট্টা নিদিয়াৰ সিদ্ধান্ত বাতিল কৰক আদি শ্লʼগান দিয়ে ভূমিহীনসকলে। আজি পুৱাৰে পৰা ভূমি পট্টাৰ পৰা বঞ্চিত লোকসকলে বিভিন্ন পাহাৰৰ পৰা আহি লালমাটিত সমবেত হয়। সমবেত লোকসকলে জনতা ভৱন অভিমুখে ৰেলী কৰিব বিচাৰিছিল যদিও আৰক্ষীয় বাধা দিয়াত লালমাটিত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। পাহাৰত বসবাস কৰা লোকসকলে ভূমিপট্টা দাবী কৰি লালমাটিত প্ৰতিবাদ সাব্যস্ত কৰি বসুন্ধৰা আঁচনি ২.০ আৰু ৩.০ৰ আঁসোৱাহ দূৰ কৰি গুৱাহাটীৰ পাহাৰত বসবাস কৰা সকলো পৰিয়ালক ভূমি পট্টা প্ৰদানৰ দাবী জনায়। ১৮ খন পাহাৰত বসবাস কৰা সকলো লোককে ভূমি পট্টা দিবই লাগিব। অন্যথাই প্ৰতিবাদ কৰি যোৱাৰ হুংকাৰ দিয়ে। প্ৰতিবাদকাৰীসকলে কয় যে নন-কে পাহাৰত বসবাস কৰা লোকক পট্টা নিদিবলৈ আইন গৃহীত কৰিছে চৰকাৰে। সেই আইনৰ বিৰুদ্ধে আমি প্ৰতিবাদ কৰিছো। ১৮ খন পাহাৰৰ মানুহক মাটি পট্টা দিব লাগিব। একছনীয়া আৰু দখলত থকা ভূমিৰ পট্টা দিয়াৰ দাবীত সমগ্ৰ গুৱাহাটীৰ ১৮ খন পাহাৰৰ লোক আজি প্ৰতিবাদ কৰিব আহিছো। আমি জনতা ভৱনলৈ গৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মুখ্য সচিবক স্মাৰক পত্ৰ দিবলৈ আহিছো। প্ৰতিবাদী এজন নেতাই কয় যে গুৱাহাটীৰ ১ লাখ ৩০ হাজাৰ পৰিয়ালক এইখন চৰকাৰে মাটিৰ পট্টা দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। যিয়ে য'ত বহি আছে তেনেকৈ পট্টা দিম বুলি পৌৰ সভাৰ নিৰ্বাচন আৰু বিধানসভা-লোকসভা নিৰ্বাচনত সভাই সমিতিয়ে গৈ গৈ প্ৰতিশ্ৰুতি দিছিল। এইজন মুখ্যমন্ত্ৰীয়েই তেনে প্ৰতিশ্ৰুতি দিছিল। এইজন মুখ্যমন্ত্ৰীয়ে এতিয়া ১ লাখ ৩০ হাজাৰ পৰিয়ালক অন্ধকাৰত ৰাখি আইন আনিছে। এই আইন বাতিল কৰিবলৈ আজি প্ৰতিবাদ কৰা হৈছে। যেতিয়ালৈকে এই আইন বাতিল কৰা নহ'ব তেতিয়ালৈ প্ৰতিবাদ সাব্যস্ত কৰি যাম বুলি কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিন-দুপৰতে ৰাজপথত সাংসদক পুত্ৰ

ৰূপহীহাটত এক অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হয় ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ তথা চামগুৰি সমষ্টিৰ প্ৰাক্তন বিধায়ক ৰকিবুল হুছেইন আৰু তেওঁৰ পুত্ৰ। প্ৰাপ্ত খবৰ অনুযায়ী ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত নতুন বজাৰত আজি দুপৰীয়া প্ৰায় ২ বজাত ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন আৰু চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনৰ পৰাজিত প্ৰাৰ্থী তথা পুত্ৰ তানজিল হুচেইনৰ ওপৰত ভয়ংকৰ আক্ৰমণৰ ঘটনা সংঘটিত হয়। ৰূপহীহাট আৰক্ষী থানাৰ নাতিদূৰৈৰ পুথিখাইতিত অনুষ্ঠিত হ'বলগীয়া এখন দলীয় সভাত অংশগ্ৰহণ কৰিবলৈ যোৱাৰ সময়তে নতুন বজাৰ নামৰ ঠাইখনত এই আক্ৰমণ সংঘটিত কৰে। দিন-দুপৰতে মুখত ক'লা কাপোৰ বান্ধি একাংশ দুৰ্বৃত্তই সাংসদ ৰকিবুল হুছেইনৰ ওপৰত জপিয়াই পৰে। দুৰ্বৃত্তৰ দলটোৱে সাংসদ হুছেইনৰ ওপৰত ক্ৰিকেট বেট, লাঠি আদিৰে আক্ৰমণ কৰাৰ স্পষ্ট দৃশ্য ভিডিঅ' ফুটেজত দেখিবলৈ পোৱা গৈছে। সাংসদ হুছেইনৰ চাৰিচকীয়া বাহন ক্ষতিগ্ৰস্থ হোৱাৰ লগতে শাৰিৰীৰকভাৱে আঘাতপ্ৰাপ্ত হৈছে। লাওখোৱা-নলতলি ৩৭ নং ৰাজ্যিক ঘাইপথত এইদৰে প্ৰচণ্ড উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হোৱাত সাংসদৰ দেহৰক্ষীয়ে শূন্যলৈ গুলি ফুটাবলৈ বাধ্য হোৱাৰ লগতে ৰকিবুল হুছেইনৰ প্ৰাণ ৰক্ষা কৰিবলৈ চেষ্টা চলায়। লক্ষণীয় যে, বাহন ক্ষতিগ্ৰস্ত হোৱাৰ পিছতে কোনোমতে সাংসদ হুছেইনে পুত্ৰসহ উত্তপ্ত পৰিস্থিতিৰ পৰা দৌৰি পলায়ন কৰিবলৈ চেষ্টা কৰে যদিও পিছে পিছে মুখত ক'লা কাপোৰ বন্ধা দুৰ্বৃত্তৰ দলটোৱে চোঁচা লয়। স্থানীয় লোকে সাংসদ হুছেইনক ঘটনাস্থলীৰ পৰা যাবলৈ স্কুটি এখন আগবঢ়াই দিয়ে যদিও এটা দুৰ্বৃত্তই স্কুটিখনৰ চাবি কাঢ়ি লোৱা দৃশ্যও কেমেৰাত ধৰা পৰে। অকল এয়াই নহয় সাংসদ হুছেইনৰ লগতে দুৰ্বৃত্তৰ আক্ৰমণৰ পৰা দেহৰক্ষীও সাৰি নগ'ল। উদণ্ড আক্ৰমণকাৰীয়ে দেহৰক্ষীক গুৰুলাগুৰুলকৈ প্ৰহাৰ কৰে।ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত কেইবাঘন্টা ধৰি চৰম উত্তেজনা অব্যাহত থকা পৰিলক্ষিত হয়। ঘটনা ইমানেই ভয়ংকৰ হৈ উঠে যে ওচৰৰ সভাস্থলীৰ পৰা দলীয় কৰ্মী আহি দুচকীয়া বাহনেৰে কথমপি প্ৰাণ ৰক্ষা কৰি লৈ যায়। ইফালে, এই ঘটনাৰ পিছতে পুথিখাইতিত অনুষ্ঠিত সভাত উপস্থিত হৈ সাংসদগৰাকীয়ে এই ঘটনাক লৈ আক্ৰমনাত্মক হৈ উঠে। সভাস্থলীৰ পৰা সাংবাদিকৰ আগত সাংসদ হুছেইনে ক্ষোভ উজাৰি কয় যে, এনে ঘটনাৰ উমান পাই নগাঁও জিলা আৰক্ষী অধীক্ষক, ৰূপহীহাট থানাৰ অ-চি আদি অৱগত কৰা হৈছিল যদিও কোনো ব্যৱস্থা লোৱা নাই। যদি গৃহমন্ত্ৰীজন নিৰপেক্ষ হয় তেন্তে এছপিৰ আৰু অ'চিৰ ওপৰত ব্যৱস্থা লওক। ইয়াৰ বাবে এছপিক তাৎক্ষণিকভাৱে নিলম্বিত কৰক, স্থানীয় থানাৰ অচি গৰাকীক নিলম্বিত কৰক। ইয়াৰোপৰি সাংসদগৰাকীয়ে চোৰাংচোৱা সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱাৰ অভিযোগ তুলি গৃহমন্ত্ৰীৰ পদত্যাগৰ দাবী জনায়। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে এই ঘটনাত কোন কোন জড়িত হৈ আছে সেয়া সকলোৱে জানে।এগৰাকী সমবায় সমিতিৰ সভাপতি, ডকাইত, হত্যাকাৰী আদি ঘটনাত জড়িত বুলি সাংসদজনে মন্তব্য কৰে। লক্ষণীয় যে, উপ-নিৰ্বাচনৰ সময়ৰে পৰা ৰূপহী-চামগুৰিৰ কিছু এলেকাত সঘনাই ৰাজনৈতিক হিংসা-প্ৰতিহিংসাৰ সৃষ্টি হৈ আহিছে যদিও প্ৰশাসনকৰ ভূমিকাক লৈ সৰ্বত্ৰে প্ৰশ্ন উত্থাপন হৈছে। আজি দিনৰ ভাগতে সংঘটিত এই ঘটনাক লৈ সচেতন ৰাইজৰ লগতে বিভিন্ন দল-সংগঠনে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ৰূপহীত কিছুদিনৰে পৰা সৃষ্টি হৈ অহা অপ্ৰীতিকৰ পৰিস্থিতি আৰু আজি সাংসদ ৰকিবুল হুছেইনৰ ওপৰত সংঘটিত হোৱা আক্ৰমনৰ ঘটনা সদৌ অসম ছাত্ৰ সন্থা, সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন কে ধৰি বিভিন্ন দল সংগঠনে গৰিহণা দিছে। এনে একাধিক বিক্ষিপ্ত ঘটনাৰ পৰিপ্ৰেক্ষিতত আগন্তুক দিনত প্ৰশাসনে পদক্ষেপ গ্ৰহণ নকৰিলে পঞ্চায়ত নিৰ্বাচনৰ সময়ত অঞ্চলটোৰ পৰিস্থিতি উত্তপ্ত হৈ পৰাৰ আশংকা কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শিক্ষাখণ্ডৰ ওলাল স্বৰূপ! ৰাজ্যত

ছবিখন ওলাই পৰে। ৰাজ্যত কেইবাশ স্কুল আজিও এজনীয়া শিক্ষকৰে, বহু স্কুল এটা কোঠাত, বহু স্কুল বিজ্ঞান শিক্ষক অবিহনে চলি আছে। ৰাজ্যত বহু বিদ্যালয় আজিও শিক্ষক তথা আন্তঃগাথনি নোহোৱাকৈ চলি আছে। অসম বিধানসভাৰ বাজেট অধিৱেশন চলি থকাৰ সময়তে এই তথ্য ৰাজহুৱা হৈছে। বিধায়ক অখিল গগৈৰ প্ৰশ্নৰ উত্তৰত ৰাজ্যৰ চৰকাৰী শিক্ষাখণ্ডৰ স্বৰূপ ওলাই পৰিছে। বিদ্যালয়ৰ আন্তঃগাঁথনি আৰু উপযুক্ত শিক্ষক নিযুক্তিৰ প্ৰসংগক লৈ অখিল গগৈয়ে তৰাযুক্ত প্ৰশ্ন কৰিছিল। সেই প্ৰশ্নৰ উত্তৰত ৰাজহুৱা শিক্ষা ব্যৱস্থাৰ স্বৰূপ ওলাই পৰে। অখিল গগৈৰ প্ৰশ্নৰ বিপৰীতে শিক্ষা বিভাগে ২০২৪-২৫ বৰ্ষত অসমৰ চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ তথ্য সদৰী কৰে। ২০২৪-২৫ বৰ্ষত অসমৰ চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ ভিতৰত শিক্ষকবিহীনভাৱে চলি আছে তিনিখন বিদ্যালয়। স্থায়ী প্ৰধান শিক্ষক নোহোৱাকৈ চলিছে ৰাজ্যৰ কেইবা হাজাৰ বিদ্যালয়। স্থায়ী প্ৰধান শিক্ষক নথকা বিদ্যালয়ৰ সমখ্যা হৈছে ৭,০১৪ খন। দুই হাজাৰ বিদ্যালয় আজিও এজনে শিক্ষকে চলায়। সদনত শিক্ষা বিভাগে দাখিল কৰা তথ্য মতে, এজনীয়া শিক্ষকৰে চলি আছে ৰাজ্যৰ ২২৯৫ খন বিদ্যালয়। ৫ শ্ৰেণীযুক্ত ২২৭০খন বিদ্যালয় ৫জনীয়া শিক্ষকে চলাইছে। ২২৭০খন ৫ শ্ৰেণীযুক্ত বিদ্যালয় প্ৰধান শিক্ষকক বাদ দি ৫ জনীয়া শিক্ষকৰে চলিছে। ৬ শ্ৰেণীযুক্ত ১,৩৯৯খন বিদ্যালয় প্ৰধান শিক্ষকক বাদ দি ৬ জনীয়া শিক্ষকৰে চলিছে। ৰাজ্যৰ ১,৩৯৯ খন ৬ শ্ৰেণীযুক্ত বিদ্যালয়ত প্ৰধান শিক্ষকক বাদ দি ৬ জনীয়া শিক্ষকৰে চলিছে। আজিও ৰাজ্যত পৃথক পৃথক কোঠা নথকা বিদ্যালয় আছে ২১,৯৬১ খন। অসমৰ উচ্চ প্ৰাথমিক বিদ্যালয়ত খালী থকা বিজ্ঞান শিক্ষকৰ সংখ্যা ৫৭১ জন। হিন্দী শিক্ষকৰ সংখ্যা ৫২৬ জন। সাধাৰণ এলেকাৰ জিলাৰ বহু বিদ্যালয়ত আজিও শ-শ শিক্ষকৰ পদ খালী হৈ আছে। উচ্চ মাধ্যমিক বিদ্যালয়ত বহু শিক্ষকৰ পদ খালী হৈ আছে। উচ্চ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শিক্ষকৰ ৪,৩৬৮ পদ, কলা শিক্ষকৰ ৫,১৮৫ পদ, হিন্দী শিক্ষকৰ ১,০০৪ পদ খালী হৈ আছে। ৰাজ্যৰ সাধাৰণ এলেকাৰ জিলাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত খালী হৈ থকা পদৰ ভিতৰত গণিত শিক্ষকৰ পদ ৭১টা খালী হৈ আছে। ইংৰাজী শিক্ষকৰ পদ ১২১টা খালী হৈ আছে। হিন্দী শিক্ষকৰ পদ ১৩টা পদ খালী হৈ আছে। অসমৰ ষষ্ঠ অনুসূচীৰ অধীনস্থ এলেকাৰ জিলাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত খালী হৈ থকা পদৰ ভিতৰত বিজ্ঞান শিক্ষকৰ ৩১৭টা, কলা শিক্ষকৰ ৩২২টা আৰু হিন্দী শিক্ষকৰ পদ ২৪৬টা পদ খালী হৈ আছে। অসমৰ ষষ্ঠ অনুসূচীৰ অধীনস্থ এলেকাৰ জিলাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বহু পদ খালী হৈ আছে। গণিত শিক্ষকৰ ৩৯টা, ইংৰাজী শিক্ষকৰ ৪৯ টা আৰু হিন্দী শিক্ষকৰ ৫৮ টা পদ খালী হৈ আছে। পাঠদান চলি থকা ৫৬ খন আদৰ্শ বিদ্যালয়, স্থাপন হ'বলগীয়া ৩ খন নতুন আদৰ্শ বিদ্যালয়ত মুঠ ৫৩ গৰাকী স্নাতক বিজ্ঞান, গণিত শিক্ষক, ৪৭ স্নাতক কলা শিক্ষক, ১১ স্নাতক হিন্দী শিক্ষক, ৫০ সহকাৰী বিজ্ঞান শিক্ষক, ৪৯ সহকাৰী কলা শিক্ষক, ২ বিষয় শিক্ষক (কলা) আৰু ১২ বিষয় শিক্ষককে (বিজ্ঞান) ধৰি মুঠ ২২৪ শিক্ষকৰ খালী পদ হৈ আছে যদিও নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা বুলি আজি অখিল গগৈক প্ৰদান কৰা উত্তৰ ব্যক্ত কৰিছে শিক্ষা বিভাগে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিধানসভাত 'পত্নী'ক লৈ আঠ মিনিট

পৰিলক্ষিত হয়। এই তৰ্কযুদ্ধ নাছিল কোনো ৰাজ্যৰ উন্নয়নৰ বিষয়ক কথা। কেৱল ইজনে-সিজনৰ প্ৰতি ব্যক্তিগত আক্ৰমণ কৰাৰ ফলত প্ৰায় ৮ মিনিট সময় পাৰ হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু অখিল গগৈৰ মাজত কথা কটা-কটি হোৱাত একাংশ বিধায়কে খোৱাক পায়। অখিল গগৈৰ কথাত বিৰোধী বিধায়কে গিৰ্জনি মাৰি হঁহা দেখা যায়। আনহাতে মুখ্যমন্ত্ৰীৰ কথাত শাসকীয় দলৰ বিধায়কসকলে সময়ে সময়ে টেবুলতো থপৰিয়াই। আজি মুখ্যমন্ত্ৰীয়ে সদনত বক্তব্য ৰখাৰ সময়তে অখিল গগৈয়ে আসনৰ পৰা থিয় দি মুখ্যমন্ত্ৰীক উভতি ধৰাত অখিল গগৈক অধ্যক্ষই বহিবলৈ কয় যদিও অখিল গগৈয়ে ২০২৬ চনৰ নিৰ্বাচন অহাৰ বাবে মুখ্যমন্ত্ৰীৰ ভাষ্য সলনি হোৱা বুলি কয়। তেতিয়াও মুখ্যমন্ত্ৰীয়ে কয় যে সেই সকলোবোৰ ভোট কংগ্ৰেছ আৰু আপোনালোকক দি দিলো। তেতিয়া অখিল গগৈয়ে মুখ্যমন্ত্ৰীক উদ্দেশ্য কয় যে কংগ্ৰেছৰ দিনত আপুনি শক্তিশালী মন্ত্ৰী আছিল। মুখ্যমন্ত্ৰীয়ে কয় যে হয় মই আছিলো। অখিল গগৈয়ে কয় আপোনাৰ দিনত মানুহ মৰিছিল। মুখ্যমন্ত্ৰীয়ে উত্তৰ দি কয় যে আপোনালোকে মোক শক্তিশালী বুলি কৈ তৰুণ গগৈক দুৰ্বলী কৰি দিয়ে। আজি মোৰ মন্ত্ৰীসভাত কোনোবা শক্তিশালী মন্ত্ৰী আছে নেকি? যেতিয়া আপোনালোকে কয় এওৰেই চলাইছিল, এওঁৰেই কৰিছিল। তৰুণ গগৈৰ ব্যক্তিত্বক আপোনালোকে বাৰে বাৰে কিয় অপমান কৰে? মৃত মানুহ এজনক তেনেকুৱা কৰিব নাপায় নহয়! এইটো এটা বেয়া প্ৰৱণতা দেখিছো, মৃত্যুৰ পিছতো অখিল গগৈয়ে তৰুণ গগৈক ইমান সমালোচনা কৰে। তেতিয়া অখিল গগৈয়ে হাঁহি হাঁহি কয়, আপুনি গোটেই ওলোটা কথা কৈ আছে। তেতিয়া মুখ্যমন্ত্ৰীয়ে কয় আজি যদি মোৰ মন্ত্ৰীসভাৰ ৰণোজ পেগুক শক্তিশালী বুলি কোৱা হয় তেতিয়া মোক অপমান কৰা হ'ল নে নাই? এইবাৰ অখিল গগৈয়ে উগ্ৰমূৰ্তি ধৰি অখিল গগৈয়ে কয় আপুনি ভাল কাম কেইটাৰ ক্ৰেডিট লয়। ১০৮ আপুনি আনিলো বুলি কয়। সেইটো কেন্দ্ৰীয় চৰকাৰৰ আছিল। তেতিয়া মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰে যে আপোনাল লগত টু-টু মেমে কৰিব খোজা নাই। মই ৰেকৰ্ডত কৈছো ১০৮ সেৱা সম্পূৰ্ণ ৰাজ্য চৰকাৰৰ। মুখ্যমন্ত্ৰীয়ে গগৈক ব্যক্তিগত আক্ৰমণ কৰি কয় যে বয়স যেতিয়া বাঢ়িছে আপুনি সৰু ল'ৰাৰ দৰে হৈছে। ১২৬ জনৰ ভিতৰত কোনোৰেই তেনেকৈ নুঠে। সাধাৰণ মানুহে ভাৱে যে আপুনি বহুত এক্টিভ। কিন্তু আপোনাৰ একোৱেই নাই। যদি চাব যায়, দেখিব আপুনি কেৱল ভুল তথ্য বিলাক দিয়ে। এনএইচএম কেন্দ্ৰীয় চৰকাৰৰ। ১০৮ ৰাজ্য চৰকাৰৰ আঁচনি। ক্ৰেডিট তৰুণ গগৈ দিয়ক। টেটৰ শিক্ষক ৰাজ্য চৰকাৰৰ। আপুনি টেটৰ শিক্ষক দিয়াৰ সময়ত ল'ৰা বিলাকক কৈছিল এয়া ৯ মাহৰ চাকৰি সব শেষ হৈ যাব। আপুনি কৈছিল নে নাই কওক। তেতিয়াই অখিল গগৈয়ে কয় যে এতিয়াও সেই ঠিকাভিত্তিক শিক্ষক ঠিকাভিত্তিকেই হৈ আছে। আপোনাৰ দিনত স্কুল কমিছে। স্কুল বঢ়া নাই। আপোনাৰ ঘৰত প্ৰাইভেট স্কুল হৈ গৈছে। আপোনাৰ ঘৰৰ মানুহে প্ৰাইভেট স্কুল খুলিছে। এই কথা শুনি মুখ্যমন্ত্ৰীৰ খঙৰ পাৰা বৃদ্ধি হয়। তেতিয়া মুখ্যমন্ত্ৰীয়ে অখিল গগৈক আৱেগিক হৈ উত্তৰ দি কয় যে এজন মতা মানুহ যেতিয়া খুব দুৰ্বল হয় তেতিয়া তেওঁ মাইকী মানুহক আক্ৰমণ কৰে। তেতিয়া মুখ্যমন্ত্ৰীয়ে অখিল গগৈৰ পত্নীক আক্ৰমণ কৰি কয় মই যদি কও আপোনাৰ পৰিবাৰে বি. বৰুৱা কলেজত কেনেদৰে চাকৰি কৰিছিল। মইটো আজিলৈকে কোৱা নাই। অখিল গগৈয়ে উত্তৰ দি কয়, চেলেন্স কৰক। মুখ্যমন্ত্ৰীয়ে কয় যে সেইটো সময়ত আপুনিও জানে। মুখ্যমন্ত্ৰীয়ে উত্তৰ দি কয় যে সেই দিনাখন ইণ্টাৰভিউত আপোনাৰ পৰিবাৰতকৈ চোকা ছোৱালীক পিছ পেলাই থৈ চাকৰি দিয়া হৈছিল। পেপাৰত ওলাইছিল। ৰেকৰ্ড আছে। তেতিয়া অখিল গগৈয়ে কয় চেলেন্স এক্সচেপ্টেড। মুখ্যমন্ত্ৰীয়ে পুনৰ অখিল গগৈয়ে উভতি ধৰি কয় যে যেতিয়া চেন্দেল পিঙ্কা মানুহ এজনে চানমাৰিত মাটি কিনে সেই প্ৰশ্নৰ উত্তৰ কোনে দিব কওক? অখিল গগৈয়ে উত্তৰ দি কয় যে আপোনাতকৈ মোৰ শ্ৰীমতীয়ে বেছি দৰমহা পায়। আপোনাৰ কেৱল যিমান সম্পত্তি হৈছে গোটেই পলিটিক্সৰ পৰা। অসমৰ কোনো মানুহে এনেকৈ কৰিব পৰা নাই। আকৌ মুখ্যমন্ত্ৰীয়ে উত্তৰ দি কয় যে এপিএছচিৰ কেলেংকাৰীত মোৰ নাম নাই। আপোনাৰ নাম আছে। অখিল গগৈয়ে উত্তৰ দি কয় যে গোটেই তালিকা আপুনিয়েই দিব আৰু আপোনাৰ নাম ক'ত থাকিব। কেলেংকাৰীত আপুনি জড়িত কিন্তু আপোনাৰ নাম নাই। অখিল গগৈৰ প্ৰশ্নৰ উত্তৰ দি মুখ্যমন্ত্ৰীয়ে কয় যে আপোনাৰ ওপৰত মোৰ যিমানটা মানহানি গোচৰ হৈছে আপুনি আদালতত গৈ মূৰ পোলোকা মাৰিছে। এইটো পেপাৰে লিখা কথা। অখিলে কয়, আপোনাৰ গোচৰ শেষেই হোৱা নাই। গোচৰ চলি আছে। আকৌ মুখ্যমন্ত্ৰীয়ে কয় যে আপোনাৰ ওপৰত মই যিমানটা মানহানি গোচৰ দিছো আপোনাৰ উকীলে গৈ কয় এইটো মই কোৱা নাই। আপোনাৰ সাহসেই নাই আদালতত গৈ কথা ক'বলৈ। হাউচ সমিতি এখন গঠন কৰি দিয়ক। সমিতিখনে পৰীক্ষা কৰিব। গগৈয়ে কয় যে আপুনি ডকুমেণ্টখিনি কোৰ্টত দি দিয়ক। আপুনি কোৰ্টৰ কথা ইয়াত আলোচনাই কৰিব নোৱাৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিনিয়োগ হ'ব ডেৰ লাখ কোটি

খেলপথাৰত এক প্ৰদৰ্শনী অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰীয়ে প্ৰদৰ্শনীখনত প্ৰায় ৪০ৰ পৰা ৪৫ মিনিট অতিবাহিত কৰাৰ ইচ্ছা প্ৰকাশ কৰিছে। প্ৰদৰ্শনীখনত দুটা মুখ্য গেলেৰী থাকিব। অসমৰ সাংস্কৃতিক ঐতিহ্য আৰু ভৱিষ্যতৰ আকাংক্ষা প্ৰদৰ্শন হ'ব। 'প্ৰাইড অৱ আসাম' নামৰ ৰাজ্যখনৰ সামগ্ৰী প্ৰদৰ্শন কৰা হ'ব। প্ৰদৰ্শনীয়ে ভৱিষ্যত ৰাজ্যখনৰ উন্নয়ন আৰু আধুনিকীকৰণৰ প্ৰচেষ্টাৰ ওপৰত আলোকপাত কৰিব। আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই লোকসেৱা ভৱনত এখন সংবাদমেলত প্ৰদান কৰি এই তথ্য প্ৰকাশ কৰিছে। বিশ্ব ৰেকৰ্ডৰ বাবে অনুষ্ঠিত মেগা ঝুমুৰ নৃত্য প্ৰদৰ্শন আৰু এডভান্টেজ আসাম ২.০লৈ মাত্ৰ চাৰি দিন বাকী থকা অৱস্থাত আজি মুখ্যমন্ত্ৰীয়ে গুৰুত্বপূৰ্ণ সংবাদমেল অনুষ্ঠিত কৰি মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰিবলগীয়া আগন্তুক এডভান্টেজ অসাম ২.০ সন্মিলনক লৈ বিতং কাৰ্যসূচী ব্যক্ত কৰে। অসমৰ উদ্যোগপতি গ্ৰুপৰ অভিজিৎ বৰুৱাই প্ৰথমটো ভাষণ দিব আৰু এছআৰডি গ্ৰুপৰ অনুপম ডেকা উপস্থিত থাকিব। ৫০জন এম্বেছাডৰৰ উপস্থিতিত নুমলীগড় বাঁহ উদ্যোগ, অসমৰ চাহক লৈ আলোচনা হ'ব। ক্ষুদ্ৰ উদ্যোগক কেনেকৈ বিশ্ব অভিমুখে নিব পাৰি তাক লৈ আলোচনা হ'ব। এডভান্টেজ আসামৰ বাবে ১৮,৫৭৫ জনৰ আবেদন লাভ কৰাৰ লগতে ১৫ হাজাৰ আবেদনত অনুমোদন জনাইছে। ১,৫১২খন বুজাবুজি চুক্তিৰ আবেদন লাভ কৰিছে। অসমৰ ক্ষুদ্ৰ উদ্যোগীৰ ১২ হাজাৰ কোটি টকাৰ বুজাবুজি চুক্তিৰ আবেদন লাভ কৰিছে। ২৫-২৬ ফেব্ৰুৱাৰীৰ এডভান্টেজ অসাম ২.০ সন্মিলনৰ পৰা ১.৫ লাখ কোটি টকাৰ বিনিয়োগ- আন্তঃগাঁথনি প্ৰকল্পৰ বিনিয়োগৰ আশা কৰিছে মুখ্যমন্ত্ৰীয়ে। ৫০,০০০ কোটিতকৈও অধিক মূল্যৰ আন্তঃগাঁথনি প্ৰকল্পৰ আশা ব্যক্ত কৰিছে। সন্মিলনখনে ১ লাখ কোটিৰ অধিক সুযোগ আনিব। আন্তঃগাঁথনিৰ ক্ষেত্ৰত আমি ৫,৫০,০০০ কোটি তকৈও অধিক মূল্যৰ প্ৰকল্প আশা কৰিছো। বৰ্তমানৰ আকলনত মুকেশ আম্বানী আৰু সজ্জন জিন্দলকে ধৰি উদ্যোগৰ নেতৃবৃন্দই কৰা মুখ্য কৰ্পোৰেট ঘোষণাসমূহ বাদ দিয়া হৈছে। দুদিনীয়া অনুষ্ঠানটোত কেইবাখনো গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ'ব। য'ত কেন্দ্ৰীয় মন্ত্ৰীসকলে মুখ্য ভাষণ প্ৰদান কৰিব। বিকশিত অসম নামৰ এখন বৈঠক কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ অধ্যক্ষতাত অনুষ্ঠিত হ'ব। য'ত টেলিকম খণ্ডৰ সৈতে জড়িত উদ্যোগীসকল উপস্থিত থাকিব। আন এক 'এক্ট ইষ্ট, এক্ট ফাষ্ট এণ্ড এক্ট ফাৰ্ষ্ট' শীৰ্ষক বৈঠকত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ. জয়শংকৰে অংশগ্ৰহণ কৰিব। য'ত উপস্থিত থাকিব ছিংগাপুৰ আৰু থাইলেণ্ডৰ ৰাষ্ট্ৰদূতসকলে। ইলেক্ট্ৰনিক্স মন্ত্ৰী অশ্বিনী বৈষ্ণৱে অতিৰিক্ত মূল বক্তব্য আগবঢ়াব আৰু কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে হাইড্ৰ'কাৰ্বন সম্পৰ্কে আলোচনাত অংশ ল'ব। অনুষ্ঠানটোত ৰে'ল মন্ত্ৰী বৈষ্ণৱ, জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ আৰু কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ উপস্থিতিত সমাপ্তি বিশেষ বৈঠক অনুষ্ঠিত হ'ব। সন্মিলনখনত এৰোস্পেচ, প্ৰতিৰক্ষা, ভূ-স্থানিক প্ৰযুক্তি আৰু অসমৰ উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ অন্যান্য পথৰ ওপৰত গুৰুত্ব দিয়া বিষয়ভিত্তিক বৈঠকসমূহ অন্তৰ্ভুক্ত থাকিব। ২৩ ফেব্ৰুৱাৰীত আলহী হৈ আহিবলগীয়া বিনিয়োগকাৰীয়ে পত্নীসকলৰ সৈতে ৩৫ জনীয়া দলে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ উদ্দেশ্য হৈছে অসমক বিশ্বৰ নেতাসকলৰ আগত প্ৰদৰ্শন কৰা আৰু ভ্ৰমণ পৰামৰ্শসমূহ সম্বোধন কৰা। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ. জয়শংকৰৰ নেতৃত্বত প্ৰতিনিধি দলটোৱে বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙাৰ অভিজ্ঞতা লাভ কৰিব। অসমৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পটোৱে ৰাজ্যখনত সুযোগ আনিব আৰু বিদেশী বিনিয়োগকাৰীসকলৰ বাবে এক ডাঙৰ আকৰ্ষণ হিচাপে কাম কৰিব বুলিও কয় মুখ্যমন্ত্ৰীয়ে। ছেমি কণ্ডাক্টৰ প্ৰকল্পটোৱে পৰিস্থিতিতন্ত্ৰৰ প্ৰতি বিশ্বব্যাপি বৰ্ধিত আগ্ৰহৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সমগ্ৰ বিশ্বতে অসমৰ পৰিচয় ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ সৈতে টেগ কৰা হৈছে। যেতিয়া মই ২০১৯ চনত জাপান আৰু কোৰিয়া ভ্ৰমণ কৰিছিলো, আমি মাত্ৰ ২০-২৫ জন লোকৰ সন্মুখত ৰোড শ্ব'ত ভাষণ দিছিলো। এই বছৰ পৰিস্থিতি সম্পূৰ্ণ বেলেগ আছিল। বিদেশী ৰাষ্ট্ৰসমূহে সক্ৰিয়ভাৱে ছেমি কণ্ডাক্টৰ পৰিৱেশ তন্ত্ৰ আৰু উন্নত চিপ নিৰ্মাণৰ সুবিধা বিচাৰিছে। অসম এক প্ৰতিশ্ৰুতিপূৰ্ণ গন্তব্য স্থান হিচাপে উদীয়মান হৈছে। জাপানৰ পৰা উভতি অহাৰপিছতে জাপানৰ ৰাষ্ট্ৰদূতে অসমৰ ছেমি কণ্ডাক্টৰ গোট পৰিদৰ্শন কৰে আৰু প্ৰকল্পটোৰ প্ৰতি আন্তৰ্জাতিক আগ্ৰহ শক্তিশালী কৰিছে। জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পটোৱে ভাৰতৰ সৰ্ববৃহৎ আউটচৰ্চড চেমিকণ্ডাক্টৰ এচেম্বলী আৰু টেষ্ট (ওএছএটি) সুবিধা থাকিব। যাৰ প্ৰতিদিনে ৪৮ নিযুত চিপ উৎপাদন কৰাৰ আনুমানিক ক্ষমতা আছে। যদি পৰিকল্পনা অনুসৰি নিৰ্মাণ কাৰ্য আগবাঢ়ে চিপ উৎপাদন এই বছৰৰ শেষৰ ফালে আৰম্ভ হ'ব। মুখ্যমন্ত্ৰীয়ে অসমৰ ল'ৰা-ছোৱালী বাহিৰলৈ যোৱাৰ প্ৰসংগ উল্লেখ কৰি কয় যে বৰ্তমান ৰাজ্যৰ বাহিৰত নিয়োজিত বহু অসমৰ যুৱক-যুৱতীয়ে ছেমি কণ্ডাক্টৰ প্ৰকল্পটোৱে ঘূৰি আহি বৰঙণি আগবঢ়োৱাৰ ইচ্ছা প্ৰকাশ কৰিছে। যদি আমি অধিক উদ্যোগক আকৰ্ষিত কৰিব পাৰো তেতিয়া আমাৰ যুৱক-যুৱতীসকলে ঘৰলৈ উভতি আহিব পাৰিব। অসমৰ বিকাশৰ কাহিনীৰ অংশ হ'ব পাৰিব। শিক্ষাৰ্থীসকলক দক্ষতা বৃদ্ধি কৰিবলৈ উৎসাহিত কৰি উদ্যোগ ৪.০ৰ অধীনত উদীয়মান প্ৰযুক্তিৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। যন্ত্ৰ শিক্ষণ, বৰ্ধিত বাস্তৱতা আৰু কোৱাণ্টাম পদাৰ্থ বিজ্ঞানৰ কথা উল্লেখ কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে পৰৱৰ্তী বিপ্লৱ এই ক্ষেত্ৰসমূহৰ দ্বাৰা পৰিচালিত হ'ব আৰু অনাগত দশকত নিযুক্তিৰ সুযোগ ইয়াতে চাৰিওফালে কেন্দ্ৰীভূত হ'ব বুলি দাবী কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰে ইতিমধ্যে বহনক্ষম বিমান ইন্ধন, বিদ্যুৎ প্ৰকল্প, চিকিৎসালয়, বিশ্ববিদ্যালয় আৰু চিকিৎসা মহাবিদ্যালয়ৰ দৰে খণ্ডত বুজাবুজিৰ চুক্তিপত্ৰৰ বাবে ১,৫০০ টা নিৰ্দিষ্ট অনুৰোধ লাভ কৰিছে। পথ আৰু দলং প্ৰকল্পকে ধৰি ব্যক্তিগত বিনিয়োগৰ প্ৰস্তাৱসমূহ আদৰণি জনোৱা হৈছে। বিনিয়োগ সন্মিলনৰ বিপৰীতে প্ৰথমে বুজাবুজিচুক্তি স্বাক্ষৰ কৰা হয় আৰু পিছত কেবিনেটে অনুমোদন জনাই গুৰুত্ব দিয়া হ'ব। অষ্ট্ৰেলিয়াৰ নাগৰিকসকলক অসম ভ্ৰমণৰ বিৰুদ্ধে জাৰি কৰা পৰামৰ্শক লৈ মুখ্যমন্ত্ৰীয়ে কয় যে তাৰ নাগৰিকক চাৰিখন জিলালৈ নাযাবলৈ কোৱা হৈছে। য'ত সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন বলবৎ আছে। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে অষ্ট্ৰেলিয়াই ৰাজ্যখন ভ্ৰমণ কৰা নাগৰিকসকলৰ বাবে জাৰি কৰা ভ্ৰমণ নিষেধাজ্ঞাৰ পৰ্যালোচনা কৰিছে সংশোধিত নিৰ্দেশনা ঘোষণা কৰিছে। তেওঁলোকে তিনিচুকীয়া, চৰাইদেউ, ডিব্ৰুগড় আৰু শিৱসাগৰক বাদ দি অসমৰ সকলো জিলাতে ভ্ৰমণ কৰিব পাৰে।

# সৰভোগত বিদ্যালয়ৰ ভৱন নিৰ্মাণৰ নামত লুণ্ঠন ঠিকাদাৰৰ

**ই-সংবাদ, বৰপেটাৰোড, ২০ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ সৰভোগৰ কামাৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নতুনকৈ বিজ্ঞানাগাৰ ভৱন নিৰ্মাণৰ নামত ব্যাপক অনিয়ম সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে। অসম চৰকাৰৰ সমগ্ৰ শিক্ষা (উচ্চতৰ) আঁচনিৰ অধীনত কামাৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নিৰ্মাণ হৈ থকা বিজ্ঞানাগাৰ ভৱনটো অতি নিম্ন মানৰ চিমেণ্ট, ৰ'ড, বালিৰে নিৰ্মাণ কৰাৰ অভিযোগ স্থানীয় ৰাইজৰ। আনকি মাটিৰ তলত পকী বিম নিদিয়াকৈ সাধাৰণ চিমেণ্ট- বালিৰে বিম নিৰ্মাণ কৰাৰো গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। ইপিনে, হাইস্কুল শিক্ষান্ত পৰীক্ষা চলি থকাৰ সময়তো দিনে-ৰাতিয়ে নিৰ্মাণ কাৰ্য চলাই থকাৰো অভিযোগ। বিজ্ঞানাগাৰ ভৱনটোৰ নিৰ্মাণৰ কাম অতি নিম্নমানৰ হোৱা বুলি অভিযোগ উত্থাপন কৰি আজি স্থানীয় ৰাইজ আৰু বিদ্যালয়খনৰ অধ্যক্ষই নিৰ্মাণ কাৰ্য বন্ধ কৰি দিয়ে। জানিব পৰা মতে, সমগ্ৰ শিক্ষা (উচ্চতৰ) আঁচনিৰ অধীনত প্ৰায় ৫৪ লক্ষাধিক টকাৰে নিৰ্মাণ হ'বলগীয়া বিজ্ঞানাগাৰ ভৱনটো গুৱাহাটীৰ ৰাঘৱ মিট্টাল নামৰ ঠিকাদাৰ এজনে আবণ্টন পাইছিল। অভিযোগ মতে, ৰাঘৱ মিট্টাল নামৰ ঠিকাদাৰজনে সৰভোগৰ চান্দু মিঞা নামৰ ঠিকাদাৰজনক ২৫ লাখ টকাৰ বিনিময়ত ছাব কণ্ট্ৰেক্টৰৰ দায়িত্ব দিছিল। যাৰ ফলত চান্দু মিঞা নামৰ মধ্যভোগী ঠিকাদাৰজনে অত্যধিক লাভৰ আশাত নিম্নমানেৰে নিৰ্মাণ কাৰ্য চলাই থকা বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰি ঠিকাদাৰ দুজনৰ বিৰুদ্ধে উচিত ব্যৱস্থা গ্ৰহণৰ বাবে স্থানীয় বিধায়ক তথা চৰকাৰৰ ওচৰত দাবী জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শংকৰ সংঘ-আহোম সংগঠনৰ সংঘাত

সংগঠন। মৰাণত আজি এখন সংবাদমেল আয়োজন কৰি ১০ টাকৈ সংগঠনে প্ৰস্তাৱ গ্ৰহণ কৰি সকীয়াই দিলে শংকৰ সংঘক। মৰাণৰ কাৰেং ধাবাৰ সভাকক্ষত আজি দুপৰীয়াৰ ভাগত ১০ টাকৈ আহোম সংগঠন একত্ৰিত হৈ প্ৰথমে এখন যৌথ সভা অনুষ্ঠিত কৰে। 'জাতীয় অস্তিত্বৰ প্ৰসংগত আহোম সদায় ঐক্যবদ্ধ' শীৰ্ষক শ্ল'গানেৰে আয়োজন কৰা এই সভাত টাইপা, আহোম সভা, আটাছু, আহোম জাতীয় মহাসভা, টাই আহোম যুথ ফৰাম, পূৰ্বাঞ্চল টাই সাহিত্য সভাকে ধৰি প্ৰায় ১০ টাৰো অধিক আহোম সংগঠনে অংশগ্ৰহণ কৰে। ইয়াৰ পিছতে সংগঠনকেইটাই এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত শংকৰ সংঘৰ বিৰুদ্ধে কেইবাটাও সিদ্ধান্ত তথা প্ৰস্তাৱ লোৱাৰ কথা অৱগত কৰে টাইপাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বিজয় ৰাজকোঁৱৰে। সেই অনুসৰি শংকৰ সংঘৰ এজাহাৰৰ ওপৰত ভিত্তি কৰি সংবিধান জ্বলোৱা এজনো যদি আহোম সংগঠনৰ নেতা গ্ৰেপ্তাৰ হয়, তেন্তে অসম বন্ধৰ কাৰ্যসূচী লোৱা হ'ব। কাইলৈ অৰ্থাৎ শুকুৰবাৰে শংকৰ সংঘৰ বিৰুদ্ধে থানাই থানাই এজাহাৰ দাখিল কৰিব আহোমৰ সংগঠনকেইটাই। যিসকল ব্যক্তিয়ে শংকৰ সংঘৰ সদস্য পদ গ্ৰহণ কৰিব তেওঁলোকক আহোমৰ জাতিগত প্ৰমাণ পত্ৰ প্ৰদান কৰা নহ'ব। টাই আহোম উন্নয়ন পৰিষদত যিসকলে সদস্যপদ লৈ শংকৰ সংঘৰ সদস্য পদ গ্ৰহণ কৰি আছে, তেওঁলোকৰ সদস্য পদ উন্নয়ন পৰিষদৰ পৰা খাৰিজ কৰা হ'ব। উজনি অসমত শংকৰ সংঘৰ সকলো কাৰ্যসূচীতে বাধা প্ৰদান কৰা হ'ব, যদিহে শংকৰ সংঘই মে-ডাম-মেফিৰ পৱিত্ৰ অনুষ্ঠানক অপৱিত্ৰ গণ্য কৰা কাৰ্যক ক্ষমা নিবিচাৰে। আগন্তুক বৰ্ষত মে-ডাম-মেফি গাঁৱে গাঁৱে অনুষ্ঠিত কৰা হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সংবাদমেলতে সকলো আহোম সম্প্ৰদায়ৰ লোকক শংকৰ সংঘৰ পৰা ওলাই আহিবলৈ আহ্বান জনোৱা হয়। আজিৰ এই সংবাদমেলত টাইপাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতিগৰাকীৰ লগতে কাৰ্যকৰী সভাপতি ৰুদ্ৰসাগৰ বুঢ়াগোহাঁই, আটাছু নেতা দেৱজিত গগৈকে ধৰি আটাইকেইটা সংগঠনৰ নেতা-কৰ্মীসকল উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যোগীক কুম্ভৰ পানী খাবলৈ চেলেঞ্জ

প্ৰতিবেদন খাৰিজ কৰি তেওঁ কৈছিল যে প্ৰয়াগৰাজৰ ত্ৰিৱেণী সংগমৰ পানী কেৱল গা ধোৱাৰ বাবেই নহয়, সেই পানী খোৱাৰ বাবেও উপযোগী। এইবাৰ তেওঁৰ মন্তব্যক লৈ বিতৰ্ক তীব্ৰতৰ হৈ পৰিছে। বলীউডৰ সংগীত পৰিচালক বিশাল দাদলানীয়ে যোগীক পোনপটীয়াকৈ প্ৰত্যাহ্বান জনাই কয় যে মুখ্যমন্ত্ৰীয়ে কেমেৰাৰ সন্মুখত কুম্ভৰ পানী খাই দেখুৱাওক। উল্লেখ্য যে, মহাকুম্ভৰ সময়ত প্ৰতিদিনে কোটি কোটি লোকে ত্ৰিৱেণী সংগমত স্নান কৰিছে। কিন্তু ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণৰ প্ৰতিবেদনত কোৱা হৈছে যে পানী একেবাৰে বিশুদ্ধ নহয়, বৰঞ্চ বেক্টেৰিয়াৰে ভৰপূৰ। বিৰোধীয়েও এই প্ৰতিবেদন চৰ্চালৈ আনি যোগী প্ৰশাসনক বিচাৰৰ আওতালৈ আনিছে। বুধবাৰে উত্তৰ প্ৰদেশ বিধানসভাত বিৰোধীৰ এক প্ৰশ্নৰ উত্তৰত যোগীয়ে কয় যে এই পৰ্যন্ত ৫৬.২৫ কোটি লোকে মহাকুম্ভত স্নান কৰিছে। এই পানীক লৈ ভিত্তিহীন অভিযোগ উত্থাপন কৰিলে ৫৬ কোটি লোকৰ আস্থাত আঘাত হানিব বুলি তেওঁ দাবী কৰে। তেওঁ কয় যে প্ৰয়াগৰাজৰ ত্ৰিৱেণী সংগমৰ পানী খোৱাৰো উপযোগী। মুখ্যমন্ত্ৰীৰ এই মন্তব্যক এতিয়া উপহাস কৰিছে বিশাল দাদলানীয়ে। তেওঁ নিজৰ ইনষ্টাগ্ৰাম ষ্ট'ৰীত লিখিছে, "মহাশয়, সমালোচকৰ লগত চিন্তাৰ কোনো কথা নাই। আমি আপোনাক বিশ্বাস কৰোঁ। অনুগ্ৰহ কৰি আগবাঢ়ক আৰু কেমেৰাৰ সন্মুখত মহাকুম্ভৰ পানী খাই থকা দেখুৱাওক।" বলীউডৰ জনপ্ৰিয় সংগীত পৰিচালকজন ইয়াতেই ক্ষান্ত নাথাকি তেওঁ আৰু লিখিছে, "যদি আপুনি ডায়েৰিয়া, কলেৰা, কৃমি-এই সকলোবোৰ কথালৈ ভয় নকৰে, তেন্তে আপুনি বুজিব লাগিব যে আপুনি ব্যতিক্ৰমীভাৱে শক্তিশালী। অনুগ্ৰহ কৰি আপুনি আৰু আপোনাৰ পৰিয়াল এই নলাটোত বুৰ মাৰক। ভগৱানে আপোনাক আৰু শক্তি দিয়ক।" উল্লেখ্য যে, ইয়াৰ পূৰ্বেও মহাকুম্ভত সংঘটিত অপ্ৰীতিকৰ ঘটনাক লৈ যোগী প্ৰশাসনক তীব্ৰ সমালোচনা কৰিছিল বিশাল দাদলানীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শপত ল'লে দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা

বিয়লি ৰামলীলা ময়দানত উপ-ৰাজ্যপাল ভি কে ছাক্সেনাৰ সন্মুখত শপত গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী ৰেখা গুপ্তা আৰু তেওঁৰ কেবিনেটৰ ৬ সদস্যই। উল্লেখ্য যে, ৰেখা গুপ্তাৰ নতুন মন্ত্ৰীসভাত অন্তৰ্ভুক্ত হৈছে নতুন দিল্লীৰ বিধায়ক প্ৰবেশ চাহিব সিং বাৰ্মা, জনকপুৰীৰ বিধায়ক আশীষ ছুদ, ৰাজৌৰী গাৰ্ডেনৰ বিধায়ক মঞ্জিন্দৰ সিং ছিৰছা, বাৱানাৰ বিধায়ক ৰবিন্দৰ ইন্দ্ৰৰাজ সিং, কৰোৱাল নগৰৰ বিধায়ক কপিল মিশ্ৰ আৰু বিকাশপুৰীৰ বিধায়ক পংকজ কুমাৰ সিং। ২০২৪ চনৰ দিল্লী বিধানসভা নিৰ্বাচনত বিজেপিয়ে ৭০খন আসনৰ ভিতৰত ৪৮খন আসন লাভ কৰি একক সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল। আপে ২২খন আসনত জয়লাভ কৰে। নিৰ্বাচনত জয়ী হোৱাৰ পিছতো দীৰ্ঘ সময়লৈ বিজেপিয়ে ঘোষণা কৰা নাছিল মুখ্যমন্ত্ৰীৰ নাম। শেহতীয়াকৈ বুধবাৰে বিজেপিয়ে ৰেখা গুপ্তাক মুখ্যমন্ত্ৰী হিচাপে নিৰ্বাচিত কৰে। ইয়াৰ পিছতে বৃহস্পতিবাৰে দিল্লীৰ চতুৰ্থগৰাকী মহিলা মুখ্যমন্ত্ৰী হিচাপে শপত লয় ৰেখাই। প্ৰণিধানযোগ্য যে, ইয়াৰ পূৰ্বে সুষমা স্বৰাজ, শীলা দীক্ষিত আৰু আতিশী মাৰ্লেনা এই পদত অধিষ্ঠিত আছিল। ইফালে, বৃহস্পতিবাৰৰ শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় কেবিনেটৰ সদস্য আৰু বিজেপি শাসিত বিভিন্ন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকল উপস্থিত থাকে। টিডিপিৰ মুৰব্বী চন্দ্ৰবাবু নাইডু, জনসেনাৰ পৱন কল্যাণ, এনচিপিৰ অজিত পাৱাৰ, এনপিপিৰ কনৰাড চাংমা, অপনা দলৰ অনুপ্ৰিয়া পেটেল আৰু শিৱসেনাৰ নেতা একনাথ শিণ্ডেও উপস্থিত থাকে এই সমাৰোহত। অৱশ্যে অনুষ্ঠানত উপস্থিত নাছিল বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ। অন্যহাতে, শপত গ্ৰহণৰ বাবে ৰামলীলা ময়দানত প্ৰায় ৩০ হাজাৰ লোক সমবেত হয়। বহু সংখ্যালঘু আৰু বস্তিবাসীয়েও আজি দিল্লীৰ মুখ্যমন্ত্ৰীৰ শপত গ্ৰহণ অনুষ্ঠানৰ সাক্ষী হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰূপহী আমাৰ জাগা নহয় বুলি ক'লে

লৈ আজি সদনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গৃহমন্ত্ৰী হিচাপে সদনত বিবৃতি দিয়ে। জনতাৰ দ্বাৰা আক্ৰমণ কৰা বুলি বিবৃতিত উল্লেখ কৰে মুখ্যমন্ত্ৰীয়ে। আক্ৰমণৰ সময়ত তেওঁৰ লগত থকা এজন দেহৰক্ষীয়ে চাৰিজাঁই গুলী ফুটাই বুলিও কয় মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে খোদ বিবৃতি জাৰি কৰি থকাৰ সময়ত বিৰোধি পক্ষৰ বিধায়কে ক'লা কাপোৰ বান্ধি আহি আক্ৰমণ কৰা বুলি অভিযোগ অনাত মুখ্যমন্ত্ৰীয়ে কয় যে আক্ৰমণ কৰিবলৈ আহিলে ক'লা কাপোৰ পিন্ধিয়েই আহিব। কোনে চিচিটিভিত আহিবলৈ বগা কাপোৰ পিন্ধি আহিব। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে ৰূপহী, চামগুৰি আমাৰ জাগা নহয়। তেওঁৰে জাগা। তেওঁৰ জাগাত তেওঁক আক্ৰমণ কৰিলে ক'লা কাপোৰ পিন্ধিয়েই ল'ব লাগিব। মুখখন দেখাই কোনে কৰিব। তেনেকৈ প্ৰত্যেকগৰাকীয়ে মানুহে কৰে। পুলিচে লগে লগে গুলীচালনা কৰে। বৰ্তমান সাংসদগৰাকী এখন দলীয় সভাত অংশ লৈছে। আৰক্ষী অধীক্ষক তাত নিজেই উপস্থিত আছে। সদনত মুখ্যমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দি কয় যে মই আজি প্ৰতিশ্ৰুতি দিছো যে নগাঁও, চামগুৰি, ৰূপহীত ৰকিবুল হুছেইনৰ নিৰাপত্তা বঢ়াই দিম। কাৰণ মই দেখিছো যে যোৱা এবছৰত কেইবাটাও এনেকুৱা ঘটনা ঘটিছে। চামগুৰি, ৰূপহীত গ'লেই কিবা নহয় কিবা এটা হয়। মই কাৰণ ক'বলৈ নাযাও।

# সৰুপেটাত চাৰিখনকৈ মাটি কঢ়িওৱা ট্ৰেক্টৰ জব্দ আৰক্ষীৰ

**ই-সংবাদ, ভৱানীপুৰ, ২০ ফেব্ৰুৱাৰীঃ** সৰুপেটা আৰক্ষীয়ে আজি চলোৱা এক অভিযানত চাৰিখনকৈ মাটি কঢ়িওৱা ট্ৰেক্টৰ জব্দ কৰিছে। নতুন ভূমি নীতি অনুসৰি কোনোধৰণৰ বৈধ অনুমতি অবিহনে একাংশ ব্যৱসায়ীয়ে অঞ্চলটোৰ ঘাইকৈ কৃষিভূমিসমূহত ট্ৰেক্টৰৰ সহায়ত জধে-মধে মাটি কাটি বিক্ৰী কৰি অহা কাৰ্য ৰোধ কৰিবলৈকে ট্ৰেক্টৰসমূহ জব্দ কৰা বুলি জানিব পৰা গৈছে। ইতিমধ্যে জিলা পৰিবহণ বিষয়াই সৰুপেটা আৰক্ষী চকীত উপস্থিত হৈ জব্দ কৰা ট্ৰেক্টৰৰ নথি-পত্ৰসমূহ পৰীক্ষা কৰাৰ লগতে ট্ৰেক্টৰৰ গৰাকীৰপৰা জৰিমণা আদায় কৰাৰ কথা সৰুপেটা আৰক্ষী সূত্ৰে জানিব পৰা গৈছে। বৈধ অনুমতি অবিহনে মাটি কঢ়িওৱা এনে ট্ৰেক্টৰৰ বিৰুদ্ধে অঞ্চলটোত পিছলৈও অভিযান অব্যাহত থাকিব বুলিও জানিবলৈ দিছে সৰুপেটা আৰক্ষীয়ে। অৱশ্যে ইয়াৰ পিছতেই জব্দ কৰা ট্ৰেক্টৰসমূহৰ গৰাকী আৰু কৰ্মচাৰীয়ে সাংবাদিকৰ আগত আৰক্ষী-প্ৰশাসনৰ এনে কাৰ্যত দ্বিমত নাথাকিলেও অঞ্চলটোৰ মাজেৰে প্ৰবাহিত পল্লা আৰু পহুমাৰা নৈৰ পাৰৰ মাটিত একাংশ ভূ-মাফিয়াসদৃশ লোকে দীৰ্ঘদিন ধৰি আৰক্ষী-প্ৰশাসনৰ সম্মুখতে বিধি নিষিদ্ধভাৱে চলাই অহা অবাধ খনন কাৰ্যলৈ আঙুলিয়াই দিয়ে। উল্লেখ্য, বিধি অনুসৰি নৈপৰীয়া এনে ভূমি বন বিভাগৰ অধীনস্থ হোৱাত নৈপৰীয়া মাটিৰ খননৰ ক্ষেত্ৰত বন বিভাগৰ অনুমতিৰ প্ৰয়োজন যদিও ঠিকাদাৰ আৰু ভূ-মাফিয়াসদৃশ একাংশ লোকে আৰক্ষী-প্ৰশাসনৰ ছত্ৰছায়াতে এনে মাটিত অবাধ খনন কাৰ্য চলাই অহাৰ অভিযোগ উত্থাপন হৈ আহিছে। আনহাতে, এনেধৰণৰ অবাধ খননৰ ফলতেই প্ৰতি বছৰে অঞ্চলটোত বান-গৰাখহনীয়াই ক্ৰমান্বয়ে গুৰুতৰ ৰূপ লৈ অহা বিষয়টোও সমানে চৰ্চিত হৈছে। যাৰ বাবেই ৰাইজে বাৰে বাৰে প্ৰতিবাদো সাব্যস্ত কৰি আহিছে।

# মাজুলীৰ ২ নং মৰিটুনিত স্বামীৰ হাতত প্ৰাণ গ'ল পত্নীৰ

**ই-সংবাদ, মাজুলী, ২০ ফেব্ৰুৱাৰীঃ** মিচিং জনগোষ্ঠীৰ কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাংৰ দিনা নিশা গড়মূৰ থানাৰ অন্তৰ্গত ২ নং মৰিটুনি গাঁৱত সংঘটিত হোৱা এক লোমহৰ্ষক হত্যাকাণ্ডই গাওঁখনৰ লগতে অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণি মতে, ১৯ ফেব্ৰুৱাৰীৰ ৰাতি গাওঁখনৰ দেবেন গাতাক আৰু তেওঁৰ পত্নী মামণি গাতাকে আলি-আয়ে-লৃগাং উদ্‌যাপন কৰাৰ পাছত ঘৰত ভাত খাই শুইছিল। কিন্তু ৰাতি ঘৰখনত ঘটিল অঘটন। কি পৰিস্থিতিৰ বাবে স্বামীয়ে নিজ পত্নীক হত্যাৰ দৰে পন্থা বাচি ললে সেই ৰহস্য ফাদিল হোৱা নাই। প্ৰত্যক্ষদৰ্শী আৰু স্থানীয় ৰাইজৰ ভাষ্য অনুসৰি মামণি গাতাকৰ মুখমণ্ডলত দেখা পোৱা তেজ, চকু আৰু কপালত আঘাতৰ লগতে দেবেন গাতাকৰ জেকেটত তেজৰ দাগ স্পষ্ট ৰূপত আছে। তাৰ ভিত্তিত সকলোৱে এইটো এক হত্যাকাণ্ড আৰু শুই থকা অৱস্থাত মুখ থেকেচি মাৰিছে বুলি নিশ্চিত হৈছে। এই সন্দৰ্ভত আত্মীয়ৰ এজাহাৰৰ ভিত্তিত গড়মূৰ থানাই ৭/২৫ নং গোচৰ ৰুজু কৰি আৰক্ষীয়ে হত্যাকাৰী দেবেন গাতাকক গ্ৰেপ্তাৰ কৰি বৰ্তমান তদন্ত অব্যাহত ৰাখিছে। এই ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# দেৰগাঁৱত ফেক্টৰীৰ মেচিনত সোমাই শ্ৰমিকৰ কৰুণ মৃত্যু

**ই-সংবাদ, ২০ ফেব্ৰুৱাৰীঃ** দেৰগাঁও নগৰৰ এটা ফেক্টৰীত কৰ্মৰত শ্ৰমিক ভয়ংকৰ দুৰ্ঘটনাত পতিত হৈ মৃত্যুক আকোৱালি লোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সুৰক্ষা ব্যৱস্থা নথকা বাবে কৰ্মৰত শ্ৰমিকজন চলন্ত মেচিনত সোমাই মৃত্যুক আকোৱালি লোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। ক্ৰেষ্ট ইণ্ডিয়া নামৰ চয়াবিন ফেক্টৰীত এই অঘটন সংঘটিত হয়। চলন্ত মেচিনত সোমাই শ্ৰমিকজনৰ মৃত্যু হয়। নিহত শ্ৰমিকজন দেৰগাঁও চাহুপট্টিৰ ওম প্ৰকাশ চাহু বুলি জানিব পৰা গৈছে। নিহত শ্ৰমিকজনে বহুদিন ধৰি ক্ৰেষ্ট ইণ্ডিয়া নামৰ চয়াবিন ফেক্টৰীত কৰ্মৰত হৈ আছিল। ঘটনাস্থলীত দণ্ডাধীশ উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰি তদন্ত আৰম্ভ কৰিছে। জানিব পৰা মতে, কোনো ধৰণৰ অভিজ্ঞতা নথকাকৈয়ে যুৱকজনক মেচিন চলাবলৈ নিয়োগ কৰিছিল মালিকপক্ষই। শ্ৰমিকজনৰ কোনো ধৰণৰ বীমাও মালিক পক্ষই কৰা নাছিল বুলি জানিব পৰা গৈছে। যাৰ ফলত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। শ্যাম সুন্দৰ আগৰৱালাৰ কাৰখানাটোত কি পৰিস্থিতিত শ্ৰমিকজনৰ মৃত্যু হ'ল সেয়া প্ৰকৃত তদন্ততহে পোহৰলৈ আহিব।

# ৰূপাইত পথ দুৰ্ঘটনাত দুজন আহত, মটৰচাইকেল থৈ পলায়ন এজনৰ








**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২০ ফেব্ৰুৱাৰীঃ** তিনিচুকীয়া জিলাৰ ছৈখোৱাঘাট অভিমুখী ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ৰূপাই শুকুৰবৰীয়া বজাৰৰ সমীপত (সোণালী ফেক্টৰী সন্মুখত) আজি সন্ধিয়া প্ৰায় ৬:০০ বজাত এক পথ দুৰ্ঘটনা সংঘটিত হয়। AS 23 AJ 8709 নম্বৰৰ Bajaj pulsar NS বাইকত অহা দুই যুৱকে বাইচাইকেল আৰোহী ৰূপাই শান্তিপুৰৰ বিদ্যাধৰ বড়া (৭২) ক খুন্দিয়াই বাইক এৰি পলায়ন কৰোঁতেই স্থানীয় ৰাইজে নিচাসক্ত বাইক চালকজনক কৰায়ত্ত কৰে যদিও বাইক আৰোহীজন পলাই যাবলৈ সক্ষম হয়। ৰাইজে বাইক চালকজনক কৰায়ত্ত কৰি ডুমডুমা আৰক্ষীক গতাই দিয়ে। ঘটনাত বিদ্যাধৰ বড়া কিছু আঘাতপ্ৰাপ্ত হোৱাৰ বিপৰীতে বাইক চালকজন গুৰুতৰভাৱে আহত হয়। আহত যুৱকজন ৰাইডাং চাহ বাগিচাৰ পক্কা লাইন নিবাসী পবিত্ৰ নায়কৰ পুত্ৰ অজয় নায়ক (২৪) বুলি জানিব পৰা গৈছে। ঘটনাত বাইচাইকেলখন সম্পূৰ্ণৰূপে নষ্ট হয়।

## ইউড'ক্লিয়া ৰিচাৰ্চ ইউনিভাৰ্চিটিৰ উদ্যোগত অনলাইন সন্মিলন

**গুৱাহাটী, ২০ ফেব্ৰুৱাৰীঃ** ইউড'ক্লিয়া ৰিচাৰ্চ ইউনিভাৰ্চিটিৰ উদ্যোগত ২১ আৰু ২২ ফেব্ৰুৱাৰীত দুদিনীয়াকৈ আন্তঃৰাষ্ট্ৰীয় অনলাইন সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনত বিভিন্ন দেশৰ লোকে যোগদান কৰিব। সংস্থাটোৱে গৱেষকসকলক বিশ্বব্যাপী গবেষণাৰ ক্ষেত্ৰখনত নতুনত্ব প্ৰদানত সহায় কৰিবলৈ চেষ্টা চলাই আহিছে। সন্মিলনত মূল বক্তা হিচাপে ভাগ ল'ব ফিলিপাইনছ, গ্ৰীচ, আমেৰিকা আৰু ভাৰতৰ বিশিষ্ট গৱেষকে। অংশগ্ৰহণকাৰীসকলে মূলতঃ তেওঁলোকৰ মূল গৱেষণামূলক কাম-কাজসমূহক গুৰুত্ব প্ৰদান কৰিব। ইউড'ক্লিয়া ৰিচাৰ্চ ইউনিভাৰ্চিটি ইউএছএ আৰু ইউড'ক্লিয়া ৰিচাৰ্চ চেণ্টাৰে যৌথভাৱে ইণ্ডিয়ান ইনষ্টিটিউট অৱ ইনোভেচন এণ্ড ছায়েন্স হিচাপে আৰম্ভ কৰিছে য'ত তেওঁলোকে উদ্ভাৱন আৰু প্ৰযুক্তিৰ ধাৰণাসমূহক প্ৰাধান্য দি আহিছে।

# জংঘলপাৰাত অবৈধ সাৰ জব্দ

**ই-সংবাদ, খাৰুপেটীয়া, ২০ ফেব্ৰুৱাৰীঃ** দৰং জিলাৰ খাৰুপেটীয়া আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি যোৱানিশা জংঘলপাৰা গাঁৱৰ এখন সাৰৰ দোকানৰপৰা জব্দ কৰে বৃহৎ পৰিমাণৰ অবৈধ সাৰ। এই বৃহৎ পৰিমাণৰ অবৈধভাৱে তৈয়াৰ কৰা নকল সাৰৰ ব্ৰেণ্ড হৈছে হিৰোজাইম শক্তি। খাৰুপেটীয়া আৰক্ষীয়ে জব্দকৃত অবৈধ সাৰৰ সৈতে জড়িত এজন এজেন্টক আটক কৰিবলৈ সক্ষম হয়। বিক্ৰেতা তথা সাৰৰ দোকানী ছাহাৰ আলী আৰক্ষীৰ অভিযানৰ খবৰ পাই দোকানৰপৰা পলায়ন কৰে। কৃষিপ্ৰধান অঞ্চল খাৰুপেটীয়াত এটা দুষ্ট চক্ৰই অবৈধ সাৰ প্ৰস্তুত কৰি কৃষকক বহুদিনৰপৰাই প্ৰৱঞ্চনা কৰি আহিছে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। অবৈধ সাৰ তৈয়াৰ কৰা কোম্পানী, বিক্ৰেতা আৰু এজেন্টৰ বিৰুদ্ধে তদন্ত মৰ্মে কঠোৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰশাসন তথা বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে ৰাইজে।

# কলগাছিয়াত পথাৰত উদ্ধাৰ নৱজাতক



**ই-সংবাদ বিশেষ, কলগাছিয়া, ২০ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত তাপেশ্বৰা গাঁৱত এটি সদ্যোজাত কন্যা সন্তানক পেলাই দিয়াক কেন্দ্ৰ কৰি অঞ্চলজুৰি এক চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, কলগাছিয়া তাপেশ্বৰা গাঁৱৰ আহাম্মদ আলী নামৰ ব্যক্তি এজনৰ ঘৰৰ পিছফালে পলিথিনেৰে মেৰিয়াই তেজেৰে লুতুৰি-পুতুৰি হৈ থকা এগৰাকী সদ্যোজাত কন্যা সন্তানক কোনো পাষাণ মাতৃয়ে পেলাই থৈ যায়। শিশুটিৰ চিঞৰ শুনি স্থানীয় লোকে পলিথিনটো খুলি দিয়াত জীৱত অৱস্থাত শিশুটিক দেখা পায়। এগৰাকী মাতৃ ইমান নিৰ্দয় হব পাৰেনে বুলি ৰাইজে আশ্চৰ্য্য প্ৰকাশ কৰিছে। বৰ্তমান শিশুটি সুস্থ অৱস্থাত আছে। জীৱশ্ৰেষ্ঠ মানৱৰ এনেকুৱা নিকৃষ্ট কাণ্ডক ধিক্কাৰ দিছে গাওঁখনৰ সৰ্বস্তৰৰ জনসাধাৰণে। ইতিমধ্যে এই পেলাই দিয়া শিশুটিৰ দায়িত্ব গ্ৰহণ কৰিবলৈ কেইবাজন সন্তানহীন দম্পত্তি আগবাঢ়ি আহিছে বুলি জানিব পৰা গৈছে।

## ৪৫বছৰীয়া আবু হুছেইন ৰঙাঘৰৰ আলহী, অঞ্চলজুৰি তীব্ৰ চাঞ্চল্য

# গোলকগঞ্জত বিশেষভাৱে সক্ষম মহিলাক অন্তঃসত্ত্বা বিবাহিত পুৰুষৰ

**ই-সংবাদ, গোলকগঞ্জ, ২০ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত ঝাপুচাবাৰী প্ৰথম খণ্ড গাঁৱত এগৰাকী বিশেষভাৱে সক্ষম মহিলাক অন্তঃসত্ত্বা কৰি বিবাহিত পুৰুষ এজন ৰঙাঘৰৰ আলহী হ'ব লগা হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। নৰ পিশাচ গৰাকী গাঁওখনৰ পয়জুদ্দিন সেখৰ পুত্ৰ আবু হুছেইন (৪৫)। জানিব পৰা মতে, তিনি বছৰ পূৰ্বে বিশেষভাৱে সক্ষম মহিলাগৰাকীৰ বিয়া হয় যদিও কিছুদিন পিছতে বিচ্ছেদ হয়। তাৰ পিছৰে পৰা মহিলাগৰাকী মাতৃ গৃহত থাকে। নিৰীহ মহিলাগৰাকীৰ ওপৰত কোপ দৃষ্টি পৰে লম্পট আবু হুছেইনৰ। চাৰি পাঁচ মাহ পূৰ্বে এদিন ঘৰত কোনো নথকাৰ সুযোগ লৈ আবু হুছেইনে মহিলাগৰাকীক ঘৰৰ পিছফালে দাঙি নি মুখত সোপা দি উপৰ্যুপৰি ধৰ্ষণ কৰে। এই কথা ঘৰৰ লোকক জনালে হত্যা কৰাৰ ভাবুকি দিয়ে। এনেকৈ দাবী-ধমকি দি মহিলাগৰাকীৰ লগত আবু হুছেইনে শাৰীৰিক সম্পৰ্ক অব্যাহত ৰাখে। সহজ সৰল মহিলাগৰাকী সকলো কথা গোপনে ৰাখে। মহিলাগৰাকী শাৰীৰিকভাৱে অসুস্থ অনুভৱ কৰাত মাতৃয়ে বেলগুৰিৰ এগৰাকী হোমিঅ' চিকিৎসকৰ কাষ চাপে। গাঁৱৰ মুন্নাভাই চিকিৎসকে লিভাৰৰ ঔষধ দি চিকিৎসা সেৱা আগবঢ়ায়। দিন বাগৰাৰ লগে মহিলাগৰাকীৰ শাৰীৰিক অৱস্থাৰ পৰিৱৰ্তন হয়। সন্দেহৰশতঃ প্ৰস্ৰাৱ পৰীক্ষা কৰাত মহিলাগৰাকী গৰ্ভৱতী বুলি নিশ্চিত হয়। পিছত পৰিয়ালৰ লোকে মহিলাগৰাকীক সোধা-পোছা কৰাত মহিলাগৰাকীয়ে সকলো ঘটনা বিৱৰি কয়। পৰিয়ালৰ লোকেও সকলো জানি মনে মনে আছিল। কালি সন্ধিয়া পাষণ্ড আবুই পুনৰ অসৎ উদ্দেশ্য চৰিতাৰ্থ কৰিবলৈ ঘৰৰ ভিতৰত সোমোৱাৰ লগে লগে পৰিয়ালৰ লোকে আবুক আটক কৰি আগমনি থানাত গতাই দিয়ে। এই সন্দৰ্ভত এখন এজাহাৰো দাখিল কৰে। আৰক্ষীয়ে অভিযুক্তক গ্ৰেপ্তাৰ কৰি আজি জে'ললৈ প্ৰেৰণ কৰে।

# বিশ্বশান্তিৰ লক্ষ্যৰে মৈৰাবাৰীত আজিৰে পৰা আৰম্ভ ৪০ দিনীয়া ইতিকাফ

**ই-সংবাদ, মৈৰাবাৰী, ২০ ফেব্ৰুৱাৰীঃ** প্ৰতিবছৰে মৰিগাঁও জিলাৰ অন্তৰ্গত মৈৰাবাৰী গাৱে হেৰা জামে মছজিদৰ আহমদীয়া খানকাহৰ ধৰ্মীয় উপাসনাৰ মুখ্য কাৰ্যসূচী ইতিকাফত অংশগ্ৰহণ কৰিবলৈ ৪০ দিনৰ বাবে দিনে-ৰাতিয়ে মছজিদত থাকি আল্লাহৰ উপাসনা কৰাৰ উদ্দেশ্যে শ শ ধৰ্মপ্ৰাণ লোকৰ মছজিদলৈ আগমন হৈছে। আজি শালমাৰা মাদ্ৰাছাৰ অধ্যক্ষ হজৰত মৌলানা নুৰ মহম্মদে খানকাহ কমিটীৰ সভাপতি, সম্পাদক, অন্যান্য বিষয়ববীয়া আৰু সদস্যসকলৰ পৰামৰ্শক্ৰমে ৪০ দিনীয়া ইতেকাফৰ ধৰ্মীয় কাৰ্যসূচীৰ আজি শুভাৰম্ভ কৰে। এইবাৰ নতুনকৈ গঠন হোৱা খানকাহ কমিটীয়ে ইতিকাফত বহি যাতে কোনো ধৰ্মপ্ৰাণ লোকে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয় তাৰবাবে নতুনকৈ সজাই তুলিবলৈ চেষ্টা অব্যাহত ৰাখিছে। ধৰ্মীয় উপাসনাৰ বাবে বহা ধৰ্মপ্ৰাণ লোকসকলৰ বিনামূলীয়াকৈ প্ৰাথমিক চিকিৎসা সেৱা আগবঢ়াবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি কমিটীৰ ফালৰপৰা জানিব পৰা গৈছে। স্থানীয় ইছলামধৰ্মী লোকসকলক স্বেচ্ছাই সহায়-সহযোগ আগবঢ়াবলৈ খানকাহ কমিটীয়ে আহ্বান জনাইছে।খানকাহত ধৰ্মপ্ৰাণ লোকসকলে বিশ্ব শান্তিৰ লক্ষ্যত অবিৰতভাৱে দোৱা-প্ৰাৰ্থনা কৰে।

# চাবুকধৰা চৰকাৰী উচ্চ বুনিয়াদী বিদ্যালয়ৰ গৰ্গমনি কোঁৱৰক বিদায় সম্বৰ্ধনা

**ই-সংবাদ, বেবেজীয়া, ২০ ফেব্ৰুৱাৰীঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমান্তৰ অগ্ৰণী শিক্ষানুষ্ঠান চাবুকধৰা চৰকাৰী উচ্চ বুনিয়াদী বিদ্যালয়ৰ নিষ্ঠাবান কৰ্মচাৰী গৰ্গমনি কোঁৱৰে চাকৰি জীৱনৰপৰা অৱসৰ গ্ৰহণৰ হেতু বৃহস্পতিবাৰে তেওঁক বিদায় সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে বিদ্যালয়ৰ সভাগৃহত বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী সোনমনি দেউৰজাৰ পৌৰোহিত্যত এখনি সভা অনুষ্ঠিত কৰা হয়। বিদ্যালয়ৰ সহকাৰী শিক্ষক দীপাংকৰ ডেকাই আঁতধৰা সভাখনিত বিদ্যালয়ৰ তৰফৰপৰা গৰ্গমনি কোঁৱৰক ফুলাম গামোছা, চেলেং, শৰাই, গ্ৰন্থ, সম্বৰ্ধনা-পত্ৰ আদিৰে সম্বৰ্ধনা জনোৱা হয়। গাম্ভীৰ্যপূৰ্ণ সভাখনিত বিদ্যালয়খনৰ প্ৰাক্তন প্ৰধান শিক্ষক, লেখক ঠগীত চন্দ্ৰ বৰুৱা, খলপীয়া মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক কৃষ্ণকান্ত নাথ, প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী লক্ষেশ্বৰী কোঁৱৰ, প্ৰাক্তন বিজ্ঞান শিক্ষক কমল বৰগোহাঁই, বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি দিগন্ত দেউৰজা, বিদ্যালয়ৰ প্ৰধান শিক্ষক ভাৰত চন্দ্ৰ দেউৰী, বিদ্যালয় পৰিচালনা সমিতিৰ উপ সভাপতি মেদিনী দেউৰজাকে ধৰি কেইবাজনো ব্যক্তিয়ে




অৱসৰী কৰ্মচাৰী গৰ্গমনি কোঁৱৰে চাকৰি জীৱনত নিষ্ঠা সহকাৰে সম্পাদন কৰা কৰ্মৰাজিৰ আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। সভাত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী শান্তা দেৱী, দেৱজানী ভূঞা, কাজল কোঁৱৰ, বাহাৰুল ইচলাম, প্ৰণৱ দাসকে প্ৰমুখ্য কৰি ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু অঞ্চলৰ শতাধিক লোক উপস্থিত থাকে। উল্লেখ্য, ১৯৯৬ চনৰ জানুৱাৰীত চাবুকধৰা চৰকাৰী উচ্চ বুনিয়াদী বিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী হিচাপে চাকৰি জীৱন আৰম্ভ কৰা গৰ্গমনি কোঁৱৰে যোৱা ৩১ জানুৱাৰীত চাকৰিৰপৰা অৱসৰগ্ৰহণ কৰে।

# ঝুমইৰ বিনন্দিনী অনুষ্ঠানত অংশগ্ৰহণৰ বাবে যোৰহাটৰ পৰা ৮২৫ গৰাকী ৰাওনা

**ই-সংবাদ, পশ্চিম যোৰহাট, ২০ ফেব্ৰুৱাৰীঃ** গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত ২৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া ঝুমইৰ বিনন্দিনী অনুষ্ঠানত অংশগ্ৰহণৰ বাবে যোৰহাটৰ দলটো আজি গুৱাহাটী অভিমুখে ৰাওনা হৈছে। পশ্চিম যোৰহাটৰ স্বৰ্গদেউ চাওলুং ছুকাফা সমন্বয় ক্ষেত্ৰত পুৱাই সমৱেত হোৱা শিল্পীসকলক ফ্লেগ অফ কৰি যাত্ৰাৰ শুভাৰম্ভণি কৰে যোৰহাট জিলাৰ আয়ুক্ত জয় শিৱানীয়ে। যোৰহাট জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত আয়ুক্ত, সহকাৰী আয়ুক্তসকল উপস্থিত থকা অনুষ্ঠানত স্থানীয় বহুলোক সমৱেত হৈ শিল্পীৰ দলটোক শুভেচ্ছা জনায়। যোৰহাট জিলাৰপৰা চাহ বাগিচা অঞ্চলৰ ৮২৫ গৰাকী শিল্পীয়ে ঝুমইৰ বিনন্দিনী অনুষ্ঠানত অংশগ্ৰহণৰ বাবে ভালেকেইখন বাছত গুৱাহাটীলৈ ৰাওনা হৈছে।

# শিক্ষয়িত্ৰী ৰোছেনা বেগমৰ বিয়োগ

**ই-সংবাদ, মথুৰাপুৰ, ২০ ফেব্ৰুৱাৰীঃ** চৰাইদেউ জিলাৰ মথুৰাপুৰ ভকতগাঁও প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী ৰোছেনা বেগম ওৰফে চালেহা (৫১)ৰ বৃহস্পতিবাৰে পুৱা দেহাৱসান ঘটে। জানিব পৰা মতে, মহিলাগৰাকীৰ হঠাৎ স্বাস্থ্য বেয়া হোৱাত ততাতৈয়াকৈ সোণাৰি ৰজাপুখুৰী চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসালয় গৈ পোৱাৰ পূৰ্বে বাটতে তেওঁৰ মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেওঁ স্বামী, একমাত্ৰ পুত্ৰ, বোৱাৰী, দুই নাতিক ইহ সংসাৰত এৰি থৈ যায়। তেওঁৰ মৃত্যুৰ বাতৰি অঞ্চলটোত বিয়পি পৰাৰ লগে লগে অজস্ৰ গুণমুগ্ধই আহি তেওঁক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁৰ মৃত্যুত অঞ্চলটোৰ বিভিন্ন বিদ্যালয়, মছজিদ, জামাতৰ লগতে বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰে। ৰোছেনা বেগম অঞ্চলটোৰ এগৰাকী সৰবৰহী, হাঁহি মুখীয়া তথা অমায়িক মহিলা আছিল।

## মহাবিদ্যালয় লিটাৰেৰী ক্লাবৰ উদ্যোগত বক্তৃতা প্ৰতিযোগিতা

# কাকজান মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী কাকজনীয়ান উন্মোচন

**ই-সংবাদ, টীয়ক, ২০ ফেব্ৰুৱাৰীঃ** উজনি অসমৰ অন্যতম এখন অগ্ৰণী শিক্ষানুষ্ঠান কাকজান মহাবিদ্যালয়ৰ লিটাৰেৰী ক্লাবৰ উদ্যোগত মহাবিদ্যালয়ৰ অভ্যন্তৰীণ গুণগত মান নিশ্চিত কোষৰ সহযোগত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি মহামাৰীৰ পৰৱৰ্তী সময়ত ছপা মাধ্যমৰ পৰিৱৰ্তিত ধাৰা শীৰ্ষক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। লিটাৰেৰী ক্লাবৰ সমন্বয়ক ভৈৰবানন্দ বৰাই আঁতধৰা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে অধ্যক্ষা ড° ৰশ্মিৰেখা শইকীয়াই। নিৰ্দিষ্ট বক্তা হিচাপে জ্যেষ্ঠ সাংবাদিক, লেখক জিতুমনি বৰা উপস্থিত থাকি ছপা মাধ্যমৰ ওপৰত এক সাৱলীল বক্তৃতা প্ৰদান প্ৰদান কৰে। অধ্যাপক ধ্ৰুৱজ্যোতি শইকীয়াই শুভেচ্ছামূলক বক্তৃতা প্ৰদান কৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে পূব যোৰহাট প্ৰেছ ক্লাবৰ সভাপতি ৰাম প্ৰসাদ ফুকন, টীয়ক প্ৰেছ ক্লাবৰ সভাপতি বিজু তনুৱাল, সম্পাদক দিগন্ত হাজৰিকা, টীয়ক ই-মেডিয়াৰ সভাপতি, সম্পাদক সাৰংগপানী শইকীয়া, কৃতী শিক্ষক কেশৱ বৰা উপস্থিত থাকে। অনুষ্ঠানতে মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী কাকজনীয়ানৰ উন্মোচন কৰা হয়। উক্ত অনুষ্ঠানতে নিৰ্দিষ্ট বক্তাৰ সৈতে এক মত বিনিময় অনুষ্ঠানো অনুষ্ঠিত হয়।

# উচ্ছেদৰ পিছতো কাণসাৰ নাই মৈৰাবাৰীৰ ফুটপাথৰ ব্যৱসায়ী, ই-ৰিক্সা চালকৰ

**ই-সংবাদ, মৈৰাবাৰী, ২০ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলাৰ ব্যৱসায় নগৰী হিচাপে পৰিচিত মৈৰাবাৰীত দীৰ্ঘসময়ৰ পৰা সৃষ্টি হোৱা যান-জঁটৰ বাবে জীয়াতু ভুগিবলগীয়া হৈছে সাধাৰণ ৰাইজে। পথৰ কাষতে একাংশ ব্যৱসায়ীৰ ব্যক্তিগত স্বাৰ্থ আদায়ৰ বাবে অস্থায়ী দোকানসমূহ খোলাৰ বাবে অনুমতি দিয়াৰ বাবে ই-ৰিক্সা, অ'ট আদি ৰখাব নোৱাৰাত প্ৰতিদিনে সৃষ্টি হয় অভাৱনীয় যান-জঁটৰ। একমাত্ৰ ব্যস্ত পথেদি মৈৰাবাৰী মহাবিদ্যালয়, মৈৰাবাৰী হাইস্কুল, ছোৱালী মহাবিদ্যালয়, ছোৱালী হাইস্কুল আদিকে কৰি কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অহা-যোৱা কৰে। চিকিৎসা সেৱাৰ বাবে বিভিন্ন ঠাইৰ পৰা দৈনিক শ শ লোকৰ আগমন ঘটে মৈৰাবাৰী হস্পিতাললৈ। লগতে শ্ৰী শ্ৰী আলিপুখুৰী পাতেকীবৰী সত্ৰলৈ আহে বিভিন্ন ঠাইৰ ভক্তসকল। অহা-যোৱা কৰে অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী, এম্বুলেন্স আদি। আনকি উক্ত ব্যস্ত পথটিৰ কাষতে আছে টাউন কবৰস্থান, সমূহীয়া শ্মশান আৰু অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠান। এই অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ সমীপৱৰ্তী এলেকাবোৰত লাহৰিঘাট ৰাজহ চক্ৰৰ পূৰ্বৰ চক্ৰ বিষয়াৰ উপস্থিতিত মৈৰাবাৰী আৰক্ষী প্ৰশাসনে পথৰ কাষত অৱস্থিত অবৈধ দোকানসমূহ উচ্ছেদ কৰি জৰিমণাও বিহিছিল যদিও পুনৰ আগৰ দৰেই পথৰ কাষত দোকানসমূহ গঢ় লৈ উঠিছে। প্ৰশাসনে ঠায়ে ঠায়ে স্থাপন কৰিছিল No entry ব'ৰ্ড। কিন্তু উচ্ছেদ-জৰিমণাৰ পিছতো পুনৰ প্ৰায়সমূহ ঠাইত আগৰ দৰে একেই অৱস্থা হোৱাৰ বাবে জ্বলা-কলা খাব লগা হৈছে পথচাৰীয়ে। একাংশ ব্যৱসায়ীয়ে নিজৰ মুনাফাৰ বাবে দোকানৰ সন্মুখত বহিবলৈ দিছে অস্থায়ী দোকান। যাৰফলত ই-ৰিক্সা আৰু অ'টসমূহ যধেমধে ৰখাই থ'বলগা হয়। পথৰ কাষতে এনেদৰে গঢ়ি উঠা অস্থায়ী দোকানসমূহৰ বিৰুদ্ধে পৰৱৰ্তী সময়ত প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া সময়ত লক্ষণীয় হ'ব।

# মিৰ্জাত মহিলা কোষৰ দুদিনীয়া ক্ৰাফ্‌ট ৱৰ্কশ্বপৰ সফল সামৰণি

**ই-সংবাদ, মিৰ্জা, ২০ ফেব্ৰুৱাৰীঃ** দক্ষিণ কামৰূপ মহাবিদ্যালয় মিৰ্জাত এই মহাবিদ্যালয়খনৰ মহিলা কোষৰ উদ্যোগত দুদিনীয়াকৈ অনুষ্ঠিত ক্ৰাফ্‌ট ৱৰ্কশ্বপখনৰ যোৱা ১৫ ফেব্ৰুৱাৰীত বিয়লিৰ ভাগত সফল সামৰণি পৰে। এই উপলক্ষে প্ৰথম দিনা এই কৰ্মশালাখন মুকলি কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ নৱজ্যোতি দাসে। উদ্দেশ্য ব্যাখ্যা কৰে এই মহিলা কোষৰ সভানেত্ৰী তথা বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ মাধুৰী শইকীয়াই। এই মহিলা কোষৰ সম্পাদিকা তথা অধ্যাপিকা অনামিকা অধিকাৰীয়ে আঁত ধৰা এই কৰ্মশালাত সহায়-সহযোগ কৰে মহিলা কোষৰ উপদেষ্টা অধ্যাপিকা ড০ অদিতি চৌধুৰী, ড০ জিলমিল বৰাই। কাপোৰ আৰু মাটিৰে প্ৰস্তুত কৰা গহণা আৰু এম্বইদাৰী ষ্টুপ বিষয়ত অনুষ্ঠিত এই দুদিনীয়া কৰ্মশালাত সমল শিক্ষক হিচাপে অংশগ্ৰহণ কৰে ইণ্ডিয়ান ইনষ্টিটিউট অৱ হেণ্ডলুম টেকনলজিৰ প্ৰাক্তন ছাত্ৰী আৰু ক্ৰাফ্‌ট ক্লজেটৰ প্ৰতিষ্ঠাপক কাকলি কলিতা। তেওঁ এই দুদিনীয়া প্ৰশিক্ষণত উপস্থিত ছাত্ৰী আৰু অধ্যাপিকাসকলক এই বিষয়ত প্ৰশিক্ষণ আগবঢ়ায়। তেওঁ ছাত্ৰীসকলক অতি ভালকৈ প্ৰশিক্ষণ আগবঢ়োৱাই নহয়, এই দুদিনতে মাটি আৰু কাপোৰৰ দ্বাৰা গহণা, আ-অলংকাৰ, কাপোৰত ফুল তোলা আদি প্ৰস্তুত কৰিব পৰাকৈ প্ৰশিক্ষণ আগবঢ়াবলৈ সক্ষম হয়। অতি উৎসাহেৰে ছাত্ৰীসকলে এই প্ৰশিক্ষণত অংশগ্ৰহণ কৰি এক প্ৰকাৰ নিজক স্বাৱলম্বী কৰিব পৰা যোগ্যতা অৰ্জন কৰে। এই বিদ্যালয়খনৰ অধ্যক্ষ ড০ নৱজ্যোতি দাসৰ সভাপতিত্বত সামৰণি অনুষ্ঠানটি অনুষ্ঠিত কৰা হয়। এই সামৰণি অনুষ্ঠানত চলিত দিনৰ পৰা প্ৰস্তুত কৰা সামগ্ৰীবোৰৰ দ্বাৰা এখনি প্ৰদৰ্শনীও অনুষ্ঠিত কৰা হয়। এই প্ৰশিক্ষণত ৫৬ গৰাকী আগ্ৰহী ছাত্ৰী আৰু অধ্যাপিকায়ো অংশগ্ৰহণ কৰে। শেষত তেওঁলোকৰ মাজত প্ৰশিক্ষণ লোৱা ছাত্ৰী আৰু অধ্যাপিকাৰ মাজত প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। প্ৰমাণ পত্ৰ প্ৰদান কৰি অধ্যক্ষ ড০ নৱজ্যোতি দাসে ছাত্ৰীসকলৰ ভৱিষ্যত উজ্জ্বল কামনা কৰে। লগতে নিজৰ কামেৰে নিজৰ পথত খোজ দিব পাৰিব বুলি আশা প্ৰকাশ কৰে। এই অনুষ্ঠানত মহাবিদ্যালয়খনৰ বুৰঞ্জী বিভাগৰ অধ্যাপক তথা মহিলা কোষৰ সভানেত্ৰী ড০ মাধুৰী শইকীয়াই ভাষণ প্ৰদান কৰি ছাত্ৰীসকলক উৎসাহ আৰু সাহস দিয়ে। এই প্ৰশিক্ষণ ছাত্ৰীসকলৰ বাবে স্বাৱলম্বীতাৰ এক মাপকাঠি হ'ব পাৰে বুলি ভাষণত উল্লেখ কৰে।

## বয়োজ্যেষ্ঠ ধৰ্মপ্ৰাণ ব্যক্তি মুহিচন্দ্ৰ মিলিৰ মৃত্যু

**ই-সংবাদ, মাজুলী, ২০ ফেব্ৰুৱাৰীঃ** মাজুলীৰ ২ নং মৰিটুনি গাঁও নিবাসী, ধৰ্মপ্ৰাণ ব্যক্তি, শিৱমন্দিৰৰ পূজাৰী মুহিচন্দ্ৰ মিলি (পেলেং) বাবা (১০২) ৰ যোৱা ১৯ ফেব্ৰুৱাৰীৰ নিশা আঠ বজাত পৰলোকপ্ৰাপ্তি ঘটে। গাঁৱৰ লগতে অঞ্চলটোৰ সকলোৰে পৰিচিত ধৰ্মপ্ৰাণ, বয়োজ্যেষ্ঠ ব্যক্তিগৰাকীৰ মৃত্যুত শোকৰ ছাঁ পৰে। ১৯৬২ চনতে তেখেতে অঞ্চলটোত এটা শিৱমন্দিৰ স্থাপন কৰি হৰ-গৌৰীৰ আৰাধনাতে নিমজ্জিত হৈ অন্তিম সময়লৈকে নিজৰ জীৱন ভগৱন্তৰ শ্ৰীচৰণত উৎসৰ্গা কৰিছিল। তেখেতৰ জীৱনকালত ঈশ্বৰ প্ৰদত্ত শক্তিৰ দ্বাৰা ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তসকলৰ অনেক সমস্যাৰ সমিধান কৰি সমাজৰ কল্যাণৰ হকে অহেতুক প্ৰচেষ্টা কৰি আহিছিল। অন্যহাতে বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগতো ভক্ত সকলৰ তথা সমাজৰ ধৰ্মীয় বিশ্বাস আৰু পৰম্পৰাৰ প্ৰতি থকা আস্থাক শিৰোগত কৰি কল্যাণমূলক কাম-কাজসমূহ অব্যাহত ৰাখিছিল। সেইজনা পিতৃ দেৱতাক হেৰুৱাই পৰিয়ালৰ লগতে অঞ্চলবাসী অতিকে মৰ্মাহত হয়। তেখেতৰ মৃত্যুত গাঁওবাসীৰ লগতে শুভাকাংক্ষী ৰাইজে বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জনায়।

## মৰিগাঁৱত দিব্যাংগ শিশুৰ মাজত বিভিন্ন সামগ্ৰী বিতৰণ

**ই-সংবাদ, লাহৰীঘাট, ২০ ফেব্ৰুৱাৰীঃ** আজি মৰিগাঁও জিলাৰ কপিলী শিক্ষাখণ্ডৰ জালুগুটিস্থিত খণ্ড সমল কেন্দ্ৰত জিলাখনৰ কপিলী, মায়ং, ভুৰবন্ধা আৰু লাহৰীঘাট শিক্ষাখণ্ডৰ অন্তৰ্গত ১০৮ গৰাকী দিব্যাংগ শিশুৰ মাজত হুইল চেয়াৰ আৰু চলন ফুৰণ সুকলমে কৰিব পৰা সঁজুলি, মানসিকভাৱে দিব্যাংগ শিশুৰ বাবে সঁজুলিৰ টোপোলা বিতৰণ কৰা হয়। উক্ত বিতৰণ অনুষ্ঠানৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে মৰিগাঁৱৰ অতিৰিক্ত আয়ুক্ত(শিক্ষা) অনুসূয়া শৰ্মাই উক্ত অনুষ্ঠানত মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়া, মৰিগাঁও জিলা আঁচনি বিষয়া লক্ষীনন্দন শইকীয়া, কপিলী শিক্ষাখণ্ড বিষয়া বিজয় ক'ৰকে ধৰি সমন্বিত শিক্ষাৰ বিভিন্ন সমল ব্যক্তি উপস্থিত থাকি দিব্যাংগ শিশুসকলক উক্ত আহিলাসমূহ বিতৰণ কৰে।

# লাহোৱালত অবৈধ খননৰ ফলত ভয়ংকৰ কাণ্ড, বিদ্যুৎস্পৃষ্ট হৈ চালকৰ মৃত্যু

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২০ ফেব্ৰুৱাৰীঃ** ডিব্ৰুগড় জিলাৰ লাহোৱালত আজি সংঘটিত এক কৰুণ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। লাহোৱালৰ নাহৰসাঁকোত মাটি কঢ়িওৱা ডাম্পাৰত বিদ্যুতৰ তাঁৰ লাগি থিতাতে নিহত হয় জিতু গগৈ ওৰফে ভাইটি নামৰ লোকজন। লাহোৱালৰ গৰুখুন্দাত ঘৰ জিতু গগৈৰ। লাহোৱালৰ নাহৰসাঁকোত অবৈধভাৱে খনন কাৰ্য অব্যাহত থকাৰ ফলতে এই ভয়াৱহ ঘটনা সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। জানিব পৰা মতে, নাহৰসাঁকোত জেচিবিৰে মাটি খনন কৰি প্ৰতিদিনে বহুসংখ্যক ডাম্পাৰেৰে এই মাটি কঢ়িয়াই থকা হয়। কালি নিশাও এই খনন চলি আছিল। পুৱতি নিশালৈ মাটি খনন কৰি সৰবৰাহৰ সময়তে এএছ-০৬-বিচি-৬৫৮৬ নম্বৰৰ ডাম্পাৰখনত ১১ হাজাৰ ভল্টৰ বিদ্যুতৰ তাঁৰ স্পৰ্শ হয়। ডাম্পাৰখন বিদ্যুৎস্পৃষ্ট হোৱাত চালকৰ আসনত বহি থকা চালক জিতু গগৈয়ো বিদ্যুৎস্পৃষ্ট হয়। একাংশ লোকে বিদ্যুৎ সংযোগ ব্যাহত হোৱাত ডাম্পাৰ চালকজনক উদ্ধাৰ কৰে যদিও তেতিয়ালৈ মৃত্যুক আঁকোৱালি লোৱা বুলি জানিব পৰা গৈছে। অৱশ্যে এই ঘটনা আজি পুৱাহে পোহৰলৈ আহে। ঘোঁৰামৰা আৰক্ষীয়ে মৃতদেহ উদ্ধাৰৰ লগতে ঘটনা সংঘটিত ডাম্পাৰখন জব্দ কৰি তদন্ত অব্যাহত ৰাখিছে। ডাম্পাৰ চালক জিতু গগৈ ওৰফে ভাইটি মৃত্যুত লাহোৱালৰ গৰুখুন্দাত শোকৰ ছাঁ পৰিছে।

## মৰিগাঁৱত একেদিনাই ২৩খনকৈ আঁচনিৰ আধাৰশিলা স্থাপন ৰমাকান্ত দেউৰীৰ

**ই-সংবাদ, লাহৰীঘাট, ২০ ফেব্ৰুৱাৰীঃ** মৰিগাঁও বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ ভৈয়াম জনজাতি উন্নয়ন নিগমৰ অধ্যক্ষ ৰমাকান্ত দেউৰীয়ে আজি সমষ্টিটোত অসম চৰকাৰৰ অসম দৰ্শন, ঐতিহাসিক নামঘৰ আঁচনি সহ ২৩ খনকৈ আঁচনিৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে বিধায়কগৰাকীয়ে আজি বিধানসভা সমষ্টিটোৰ অন্তৰ্গত নিজগেৰুৱা, কুশতলি, লাউভুৰুংগা আৰু ধূপগুৰি গাঁও পঞ্চায়ত ৰূপায়ণ হ'ব লগা এম জি এনৰেগা আঁচনি সহ ২১ খন আঁচনিৰ আধাৰশিলা স্থাপন কৰে। তদুপৰি বিধায়ক দেউৰীয়ে অসম চৰকাৰৰ অসম দৰ্শন, ঐতিহাসিক নামঘৰ আঁচনিৰ অধীনত কুশতলি পঞ্চায়তৰ অন্তৰ্গত তথা ঐতিহাসিক নামঘৰ সদৌ সাতখেলীয়া শ্ৰীশ্ৰী বাসুদেউ হৰি মন্দিৰ আৰু ধূপগুৰি পঞ্চায়তৰ ভূমতলা ঐতিহাসিক নামঘৰৰ ১৫ লাখ টকাকৈ দুটা কামৰো আধাৰশিলা স্থাপন কৰে। ইফালে, বিধায়কগৰাকীয়ে সন্ধিয়ালৈকে আধাৰশিলা স্থাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ মাজতে গেৰুৱাত অনুষ্ঠুপীয়াকৈ অনুষ্ঠিত এখন যোগদান সভাতো অংশগ্ৰহণ কৰে। সভাখনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ছাত্ৰ সংগঠন এন এছ ইউ



আইৰ মৰিগাঁও জিলাৰ সাধাৰণ সম্পাদক দেৱজিৎ হুকাই, বৰালিমাৰী মণ্ডল কংগ্ৰেছৰ সাধাৰণ সম্পাদক কিৰণ সেনাপতি আৰু নিজ গেৰুৱা পঞ্চায়তৰ অগপৰ মহিলা যুৱ নেত্ৰী স্বপ্নালক্ষ্মী ব্ৰহ্মাই ভাৰতীয় জনতা পাৰ্টীৰ নীতি আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ পূৰ্বৰ দল ত্যাগ কৰি আনুষ্ঠানিকভাৱে গেৰুৱা দলটোত যোগদান কৰে। আজিৰ এই আটাইকেইটা কাৰ্যসূচীতে বিধায়ক দেউৰীৰ লগতে বিজেপিৰ মৰিগাঁও জিলাৰ সাধাৰণ সম্পাদক নিৰ্মল কোঁৱৰ, কুশতলি-নিজগেৰুৱা মণ্ডল বিজেপিৰ সভাপতি ৰাজেন সেনাপতি, সাধাৰণ সম্পাদক ৰাজু ডেকাসহ দলীয় বহু কেইগৰাকী বিষয়ববীয়া আৰু নেতা-কৰ্মী উপস্থিত থাকে।

# ডিমাকুছিৰ শুক্লাইৰ ধৰ্মপ্ৰাণ মহিলা সৰস্বতী মিশ্ৰৰ দেহাৱসান

**ই-সংবাদ, ডিমাকুছি, ২০ ফেব্ৰুৱাৰীঃ** যি সময়ত মানুহে বেলেগৰ বাবে একো চিন্তা নকৰে, আনক একো সহায় নকৰে তথা নিজকে লৈ ব্যস্ত হৈ থাকে, সেই সময়তে ওদালগুৰি জিলাৰ বৃহত্তৰ ডিমাকুছি অঞ্চলৰ শুক্লাই গোশালা নিবাসী ধৰ্মপ্ৰাণ মহিলা সৰস্বতী মিশ্ৰই মৃত্যুৰ সময়ত তেওঁৰ দুয়োটা চকু দৃষ্টিহীন লোকৰ বাবে দান দি এক মহানুভৱতাৰ নিদৰ্শন দাঙি ধৰি অজান দেশলৈ গুচি যায়। জানিব পৰা মতে, শুক্লাই অঞ্চলৰ বিশিষ্ট যুৱ সমাজকৰ্মী তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত ব্যক্তি মনোজ মিশ্ৰৰ মাতৃ সৰস্বতী মিশ্ৰ যোৱা কেইদিনমান আগত অসুখত ভুগি গুৱাহাটীৰব্যক্তিগত চিকিৎসালয় নেমকেয়াৰত ভৰ্তি হৈ আছিল। পিছত তেওঁৰ অৱস্থা সংকটজনক হোৱাত তেওঁ পৰিয়ালৰ আগত ঘোষণা কৰে যে তেওঁৰ মৃত্যুৰ পিছত তেওঁ চকু দান কৰিব যাতে, তেওঁৰ চকুৰে কোনো অসহায় লোকে দৃষ্টি লাভ কৰে। বুধবাৰে হঠাৎ তেওঁৰ মৃত্যু হয় আৰু পৰিয়ালে চকু বেংকৰ লগত যোগাযোগ কৰি তেওঁৰ চকু দান কৰাত সফল হয়। শুক্লাইৰ ধৰ্মপ্ৰাণ মহিলা সৰস্বতী মিশ্ৰৰ এই মহান কামৰ সকলোৰে শলাগ লোৱাৰ লগতে এতিয়াও মানৱতা জীয়াই আছে বুলি সকলোয়ে কয়। বৃহস্পতিবাৰে হেজাৰ হেজাৰ লোকৰ উপস্থিতিত শুক্লাই নদীৰ শ্মশানত তেওঁৰ শেষকৃত্য সমাপন কৰা হয়। তেখেতৰ মৃত্যুত ডিমাকুছি সাহিত্য সভা, ডিমাকুছি ই-মিডিয়া ফ'ৰমাৰ উপৰি বিভিন্ন দল-সংগঠনে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে তেখেতৰ আত্মাৰ চিৰ শান্তি কামনা কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেখেতৰ মৃত্যুত সমগ্ৰ ডিমাকুছি, শুক্লাই অঞ্চলতে শোকৰ ছাঁ পৰে।

## বন্যপ্ৰাণী প্ৰতিৰোধ আইন ১৯৬০ৰ বিধানসমূহ অধিক শক্তিশালী কৰাৰ পৰিকল্পনা

# পশুৰ ওপৰত নিষ্ঠুৰতাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ প্ৰতিশ্ৰুতি বৰপেটা প্ৰশাসনৰ

**ই-সংবাদ, বৰপেটাৰোড, ২০ ফেব্ৰুৱাৰীঃ** জীৱ-জন্তুৰ ওপৰত নিষ্ঠুৰতা প্ৰতিৰোধ আইন ১৯৬০ৰ বিধানসমূহ অধিক শক্তিশালী কৰি পশুৰ ওপৰত নিষ্ঠুৰতা ৰোধৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে বৰপেটা জিলা প্ৰশাসনে। এই বিষয়টোক লৈ চলিত সপ্তাহৰ আৰম্ভণিতে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন উচ্চ পৰ্যায়ৰ বৈঠক আহ্বান কৰা হৈছিল। অতিৰিক্ত জিলা আয়ুক্ত জয়ন্ত বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত যুটীয়া স্বাস্থ্য সঞ্চালক (আই/চি), জিলা পশু চিকিৎসা বিষয়া (ডি ভি অ'), সংমণ্ডল বন বিষয়া (ডি এফ অ'), আৰক্ষী বিষয়া আৰু বিভিন্ন বেচৰকাৰী সংস্থাৰ প্ৰতিনিধিকে ধৰি গুৰুত্বপূৰ্ণ বিষয়াসকলে অংশগ্ৰহণ কৰে। এই পদক্ষেপৰ অংশ হিচাপে তৎকালীনভাৱে এক বিস্তৃত জনজাগৰণ অভিযান আৰম্ভ কৰা হ'ব। বৰাই কয় যে যে আমাৰ আউটৰিচ প্ৰচেষ্টাত চৰকাৰী কাৰ্যালয় আৰু জনস্বাস্থ্য প্ৰতিষ্ঠান, চক্ৰ কাৰ্যালয়, ব্লক কাৰ্যালয় আৰু চিকিৎসা প্ৰতিষ্ঠান আদি কেন্দ্ৰীভূত হ'ব। জনসাধাৰণক সংবেদনশীল কৰি তোলাৰ বাবে পশু কল্যাণৰ কাম-কাজৰ ৰূপৰেখা দাঙি ধৰা ফ্লাইয়াৰ সমগ্ৰ জিলাতে বিতৰণ কৰা হ'ব। প্ৰশাসনে উজ্জ্বল কৰি তোলা এটা প্ৰধান চিন্তা হৈছে পশুধনৰ অনুচিত পৰিবহণ। জিলা পশু চিকিৎসা বিষয়াই জোৰ দি কয় যে নতুন ব্যৱস্থাই জিলাখনৰ বাহিৰলৈ পশু পৰিবহণৰ বাবে স্বাস্থ্য প্ৰমাণপত্ৰ বাধ্যতামূলক কৰি তুলিব। ইয়াৰ উপৰি অতিৰিক্ত বোজা ৰোধ কৰিবলৈ কঠোৰ নিয়ম বলবৎ কৰা হ'ব, যাতে বাহনসমূহে জীৱ-জন্তু কঢ়িয়াই নিয়াৰ বাবে নিৰ্দিষ্ট সীমা মানি চলে। অতিৰিক্ত জিলা আয়ুক্ত জয়ন্ত বৰাই আইন বলবৎকৰণৰ গুৰুত্বৰ ওপৰত আৰু আলোকপাত কৰি কয় যে বৰ্তমানৰ শাস্তিমূলক ব্যৱস্থাসমূহ ফলপ্ৰসূভাৱে কাৰ্যকৰী কৰিব লাগিব। চক্ৰ বিষয়াসকলে গাঁওবুঢ়াৰ সৈতে যোগাযোগ কৰিব। আনহাতে, কৃষি উন্নয়ন বিষয়াসকলে কৃষকৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰি পশুৰ প্ৰতি মানৱীয় ব্যৱহাৰৰ বিষয়ে সজাগতা সৃষ্টি কৰিব। খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, গাঁও পঞ্চায়তৰ সচিব, সম্পাদক, পঞ্চায়ত সংস্থাসমূহৰ সৈতে জড়িত এক সমন্বিত প্ৰচেষ্টাৰ জৰিয়তে তৃণমূল পৰ্যায়ত শিক্ষামূলক সামগ্ৰী বিতৰণ কাৰ্যকৰী কৰা হ'ব। গাঁও প্ৰধান আৰু আশা কৰ্মীসকলেও নিজৰ সম্প্ৰদায়ৰ ভিতৰত তথ্য প্ৰচাৰ আৰু সজাগতা বৃদ্ধিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই পদক্ষেপৰ নেতৃত্বত আছে ছ'চাইটি ফৰ প্ৰিভেনচন অৱ ক্ৰুৱেল্টি টু এনিমেল, জিলা আয়ুক্ত ৰোহন কুমাৰ ঝা। পশুৰ নিষ্ঠুৰতাৰ বিৰুদ্ধে ব্যৱস্থাসমূহ শক্তিশালী কৰাৰ লগতে জীৱ-জন্তুৰ প্ৰতি নৈতিক ব্যৱহাৰ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত অসম চৰকাৰৰ বহুল প্ৰতিশ্ৰুতিৰ সৈতে এই অভিযান সফল কৰাৰ লক্ষ্য ৰখা হৈছে।

# ৰঙিয়াত ভয়ংকৰ অগ্নিকাণ্ড, জীৱন্তে অগ্নিদগ্ধ মহিলা

**ই-সংবাদ, ৰঙিয়া, ২০ ফেব্ৰুৱাৰীঃ** ৰঙিয়াৰ গড়ভিতৰ বালাগাঁৰত আজি পুৱতি নিশা সংঘটিত হয় এক চাঞ্চল্যকৰ ঘটনা। অগ্নিকাণ্ডৰ ফলত শোৱাপাটিতে জীৱন্তে অগ্নিদগ্ধ হয় মইনা নাথ নামৰ এগৰাকী মহিলা। এই অগ্নিকাণ্ডৰ ফলত ঘৰৰ সকলো সম্পতি ভস্মীভূত হয়। অগ্নিকাণ্ডৰ ফলত দুটাকৈ চিলিণ্ডাৰ বিস্ফোৰণ হোৱাৰ সন্দেহ প্ৰকাশ কৰে প্ৰত্যক্ষদৰ্শীয়ে। ঘটনাৰ সম্ভেদ লাভ কৰা মাত্ৰকে অগ্নি নিৰ্বাপক বাহিনীৰ লোক উপস্থিত হৈ জুই নিৰ্বাপণ কৰে যদিও ভস্মীভূত অৱস্থাত উদ্ধাৰ হয় মইনা নাথ নামৰ মহিলাগৰাকীৰ মৃতদেহৰ অৱশিষ্ট অংশ। ইফালে, এই অগ্নিকাণ্ডত আ-অলংকাৰৰ লগতে নগদ ধনো জাহ যায়।

# মাজুলীৰ লাহলিয়াল গাঁৱত সজাগতা সভা

**ই-সংবাদ, মাজুলী, ২০ ফেব্ৰুৱাৰীঃ** আন্তৰ্জাতিক সামাজিক ন্যায় দিৱসৰ লগত সংগতি ৰাখি আজি মাজুলীৰ লাহলিয়াল গাঁৱৰ প্ৰাথমিক বিদ্যালয়ত মাজুলী জিলা আইন সেৱা প্ৰাধীকৰণৰ দ্বাৰা সামাজিক ন্যায়ৰ ওপৰত এখন সজাগতা সভা অনুষ্ঠিত হয়। অৰ্ধ আইনী স্বেচ্ছাসেৱক ৰাজীৱ শইকীয়াই উদ্দেশ্যে ৰাখ্যা আগবঢ়োৱা সজাগতা সভাখনত মাজুলী জিলাৰ অইন সেৱা প্ৰাধীকৰণৰ সচিব সৰস্বতী জহৰী পাদুন, উজনী মাজুলীৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ৰোহিতেশ্বৰ শইকীয়া, সমাজ কল্যাণ বিভাগৰ মাজুলী জিলাৰ সমন্বয়ৰক্ষী বিষয়া কুকি বৰুৱা, উপ-মুখ্য আইন সহায়ক প্ৰতিৰক্ষা আধিবক্তা ৰুণজুন দলে, সহায়ক অইন সেৱা প্ৰতিৰক্ষা আধিবক্তা পাপৰি শইকীয়া উপস্থিত থাকি নাৰীজনীত অপৰাধ, ইয়াৰ প্ৰতিকাৰ আৰু অধিকাৰ সম্পৰ্কত অৱগত কৰে। সভাখনত উজনি মাজুলীৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ৰোহিতেশ্বৰ শইকীয়াই অসম চৰকাৰে হিতাধিকাৰীসকলে পোৱা বিভিন্ন সমস্যা আৰু চৰকাৰে ৰাইজৰ সুবিধাৰ বাবে কেনেকুৱা আঁচনি গ্ৰহণ কৰিছে এই সম্পৰ্কত ৰাইজক সজাগতা সভাখনৰ যোগেদি অৱগত কৰে। গাওঁখনৰ ৰাইজ উপস্থিত থকা সভাখনৰ সম্বৰ্ধনা অনুষ্ঠানটিৰ আঁত ধৰে পৰাণজ্যোতি বৰাই।

# ভাৰতীয় জনতা পাৰ্টিৰ নামনি মণ্ডলৰ সভাপতি হিচাপে প্ৰেমকান্ত মেধিক নিযুক্তি

**ই-সংবাদ বিশেষ, মাজুলী, ২০ ফেব্ৰুৱাৰীঃ** ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলা সমিতিৰ অন্তৰ্গত নামনি মণ্ডল সমিতিৰ সভাপতি হিচাপে যুৱ নেতা প্ৰেমকান্ত মেধিক নিযুক্তি দিছে। ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশ সমিতিৰ সভাপতি দিলীপ শইকীয়াৰ অনুমোদন ক্ৰমে আজি নামনি মাজুলীৰ যুৱ সমাজকৰ্মীজনক নামনি মণ্ডল বিজেপিৰ সভাপতি হিচাপে নিযুক্তি প্ৰদান কৰে। ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশ সমিতিৰ সাধাৰণ সম্পাদক পল্লৱ লোচন দাস স্বাক্ষৰিত এক বিজ্ঞপ্তিত মেধিক নামনি মণ্ডল সমিতিৰ সভাপতি নিয়োগ কৰা বুলি প্ৰকাশ পাইছে। উল্লেখ্য যে ২০২৩-২০২৪ চনতো প্ৰেমকান্ত মেধি ভাৰতীয় জনতা পাৰ্টিৰ নামনি মণ্ডলৰ সভাপতি আছিল। আজি পুনৰ দ্বিতীয়টো কাৰ্যকালৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ নামনি মণ্ডলৰ সভাপতি হিচাপে প্ৰেমকান্ত মেধিক নিয়োগ কৰা হয়।

দেশৰ বিভিন্ন বিশ্ববিদ্যালয় আৰু শৈক্ষিক অনুষ্ঠানৰ প্ৰতিনিধিৰ অংশগ্ৰহণ

# ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ত শৈক্ষিক মেলা সম্পন্ন

**ই-সংবাদ, ডিব্ৰুগড়, ২০ ফেব্ৰুৱাৰীঃ** ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালৰ উদ্যোগত আৰু স্পীয়েৰৰ সহযোগত যোৱা ১৮ ফেব্ৰুৱাৰীৰ পৰা ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ চৌহদত শৈক্ষিক মেলা অনুষ্ঠিত হয়। দিল্লী, মহাৰাষ্ট্ৰ, পাঞ্জাব, বেংগালুৰু, গুজৰাট, উত্তৰ প্ৰদেশ আদিৰ প্ৰায় বিশখনৰো অধিক শৈক্ষিক অনুষ্ঠানে এই মেলাত অংশগ্ৰহণ কৰে আৰু তিনি শতাধিক ছাত্ৰ-ছাত্ৰীৰ সৈতে বিভিন্ন পাঠ্যক্ৰমৰ বিষয়ে মত বিনিময় হয়। শৈক্ষিক মেলাখনৰ উদ্বোধনী অনুষ্ঠানত আদৰণি ভাষণ দি কানৈ বাণিজ্য মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শৈলেন গগৈয়ে ছাত্ৰ-ছাত্ৰীৰ বাবে এনে অনুষ্ঠানৰ প্ৰয়োজনীয়তাৰ বিষয়ে কয়। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি গোপাল শৰ্মা, প্ৰাক্তন শিক্ষাৰ্থী মঞ্চৰ সভাপতি পৱন কুমাৰ গাৰোডিয়া, 'অসম আদিত্য' কাকতৰ মুখ্য সম্পাদক মনজিৎ বৰা, গুৰুকুল ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ সঞ্চালক জ্যোতিৰ্ময় হাজৰিকা, জ্যেষ্ঠ সাংবাদিক ললিত শৰ্মাৰ লগতে যথেষ্ট সংখ্যক শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী অনুষ্ঠানত উপস্থিত থাকে। ইংৰাজী বিভাগৰ অধ্যাপক নজৰানা হকে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় স্নাতকোত্তৰ মহলাৰ অধ্যাপক ড০ প্ৰিয়ংকা ধনুকাই। শৈক্ষিক মেলাৰ লগত সংগতি ৰাখি এক Bridging the Gap : How to Align Education with in Demand Jobs শীৰ্ষক এক পেনেল ডিচকাচনো অনুষ্ঠিত কৰা হয়। মূলতঃ ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰ ,লগত সংগতি ৰাখি উদ্যমীতা, কৌশল বিকাশ, কাৰিকৰী কৌশল বিকাশ আৰু উদ্ভাৱন কেৰিয়াৰ কাউন্সেলিং আদি সামৰি হোৱা এই ব্যাপক আলোচনাত মহাবিদ্যালয়ৰ হিচাপ বিদ্যা বিভাগৰ অধ্যাপক ড০ জেকব কোঁৱৰে সমন্বয়ক হিচাপে অংশগ্ৰহণ কৰে। এই পেনেল আলোচনাৰ সমলব্যক্তিসকল আছিল ড০ ৰেজিয়া বেগম লস্কৰ, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়, ড০ ভিভিয়ান শইকীয়া, ডিব্ৰু মহাবিদ্যালয়, ড০ তুলিকা মটক, কানৈ বাণিজ্য মহাবিদ্যালয়, জ্যোতিৰ্ময় হাজৰিকা, গুৰুকুল ছিনিয়ৰ ছেকেণ্ডেৰী স্কুল, মনজিৎ বৰা, 'অসম আদিত্য' কাকতৰ সম্পাদক ইত্যাদি। ইয়াৰ উপৰি স্নাতকোত্তৰ মহলাৰ ছাত্ৰী ৰুবী দাস আৰু ষষ্ঠ সান্মাষিকৰ ইপ্সিতা দেই ছাত্ৰ প্ৰতিনিধি হিচাপে এই আলোচনাত অংশগ্ৰহণ কৰে। পেনেল আলোচনাৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় বাণিজ্য ব্যৱস্থাপনা বিভাগৰ অধ্যাপক ড০ কস্তুৰী শইকীয়াই। উল্লেখ্য যে এই অনুষ্ঠানতে মেলাত অংশগ্ৰহণ কৰা ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয় আৰু শৈক্ষিক অনুষ্ঠানৰ প্ৰতিনিধিসকলক সম্বৰ্ধনা জনোৱা হয়। এই শৈক্ষিক মেলাৰ সামৰণি পৰে ১৯ ফেব্ৰুৱাৰীত। ইতিমধ্যে ডিব্ৰুগড়ৰ আৰু ইয়াৰ দাঁতি কাষৰীয়া বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এই মেলাত অংশগ্ৰহণ কৰি বিভিন্ন শৈক্ষিক অনুষ্ঠানৰ প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰে।

# ডিব্ৰুগড়ৰ উৰণীয়া সেঁতু শিক্ষাবিদ ড০ লীলা গগৈৰ নামেৰে নামাকৰণৰ আহ্বান

## মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ ডিব্ৰুগড় সাহিত্য সভাৰ

**ই-সংবাদ, ডিব্ৰুগড়, ২০ ফেব্ৰুৱাৰীঃ** ডিব্ৰুগড়ৰ নগৰত নতুনকৈ প্ৰায় নিৰ্মাণকাৰ্য সম্পন্ন হোৱা কনভয় পথৰ উৰণীয়া সেঁতুৰ নাম 'ড০ লীলা গগৈ উৰণীয়া সেঁতু' নামেৰে নামাকৰণৰ আহ্বান জনায় ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাই। ডিব্ৰুগড় সাহিত্য সভাৰ তৰফৰ পৰা ডিব্ৰুগড় নগৰৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু কনভয় পথ সংযোগী অত্যাধুনিক উৰণীয়া সেঁতুখন ডিব্ৰুগড়ৰ সু-সন্তান, বিশিষ্ট সাহিত্যিক, গৱেষক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অসমীয়া-ভাষা- সাহিত্য-সংস্কৃতি জগতলৈ অনবদ্য অৱদান আগবঢ়াই যোৱা ড০ লীলা গগৈৰ সোঁৱৰণিত তেওঁৰ নামেৰে নামাকৰণ কৰিবলৈ স্মাৰক পত্ৰ প্ৰদান কৰা হয়। ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰস্তাৱৰ ভিত্তিত ডিব্ৰুগড় সাহিত্য সভাই আজি ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰী আৰু আয়ুক্তৰ যোগেদি অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ পৃথকে পৃথকে স্মাৰক পত্ৰ প্ৰেৰণ কৰে। ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁই, উপ-সভাপতি যাদৱ গগৈ আৰু সম্পাদক ৰাতুল গোহাঁই স্বাক্ষৰিত এক স্মাৰকপত্ৰৰ জৰিয়তে ডিব্ৰুগড়ৰ সু-সন্তান, অসম গৌৰৱ, অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ জগতলৈ অমূল্য অৱদান আগবঢ়াই যোৱা স্বনামধন্য সাহিত্যিক, গৱেষক, সংগীতজ্ঞ, বুৰঞ্জীবিদ, গ্ৰন্থাকাৰ, শিক্ষাবিদ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সৰ্বভাৰতীয় পৰিভাষা প্ৰণয়ন সমিতিৰ সদস্য, অসম পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ সঞ্চালক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপকৰ লগতে অসমীয়া ভাষা সাহিত্য সংস্কৃতি জগতলৈ অনবদ্য অৱদান আগবঢ়াই অসমীয়াজাতিক ধন্য কৰি গৈছে যদিও বৰেণ্য ব্যক্তিজন আজিও উপেক্ষিত হৈ আছে। সেয়ে নৱপ্ৰজন্মৰ মাজত সদায় সজীৱ হৈ থকাৰ উদ্দেশ্য উৰণীয়া সেঁতুখনৰ নাম 'ড০ লীলা গগৈ উৰণীয়া সেঁতু' নামেৰে নামাকৰণ কৰিবলৈ স্মাৰক পত্ৰৰ জৰিয়তে আবেদন জনোৱাৰ লগতে বিষয়টো সন্দৰ্ভত যোগাত্মক পদক্ষেপ গ্ৰহণ কৰিবলৈ জিলা আয়ুক্তগৰাকীৰ সৈতে আলোচনা কৰে। ১৮৯৩ চনতেই গঠিত ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাই বৰেণ্য সাহিত্যিক তথা ভাষা সাহিত্য সংস্কৃতিৰ সাধক ড০ লীলা গগৈ নামেৰে নামাকৰণৰ কৰিবলৈ জনোৱা আহ্বানত জিলা আয়ুক্তগৰাকীয়ো সন্তুষ্ট হৈ এই বিষয়ে মুখ্যমন্ত্ৰীৰ সৈতে আলোচনা কৰাৰ লগতে পুনৰ ডিব্ৰুগড় সাহিত্য সভাৰ এটা দলক মুখ্যমন্ত্ৰীগৰাকীক সাক্ষাৎ কৰাৰ বাবে তেওঁ পৰামৰ্শ দিয়ে। স্মাৰক পত্ৰ প্ৰদানৰ সময়ত ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি যাদৱ গগৈ, সম্পাদক ৰাতুল গোহাঁই, ডিব্ৰুগড় সাহিত্য সভাৰ বিদায়ী সভাপতি ড০ শশীকান্ত শইকীয়া, বিদায়ী উপ-সভাপতি বিভাস দুৱৰা, ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক মীনাক্ষী দাস বৰুৱা, ডিব্ৰুগড় সাহিত্য সভাৰ সাংগঠনিক সম্পাদক মুক্তামণি হাজৰিকা, প্ৰচাৰ সম্পাদক হিৰণ্য বৰা, কাৰ্যনিৰ্বাহক সদস্য বিতুমণি ফুকন, অনুপম মহন্ত, জ্যোতিষ পাতিৰ, ইফতিকাৰ হুছেইন, কানৈ মহাবিদ্যালয়ৰ অধ্যাপক ড০ জ্যোতি প্ৰসাদ ফুকন, জ্যেষ্ঠ সাংবাদিক কৰুণা ফুকন আদি উপস্থিত থাকে।

# নাট্যকাৰ, পৰিচালক অভিজিত ভট্টাচাৰ্যৰ মাতৃৰ বিয়োগত শোক



**ই-সংবাদ, দুমুনিচকী, ২০ ফেব্ৰুৱাৰীঃ** মাতৃহাৰা হ'ল জনপ্ৰিয় নাট্যকাৰ, পৰিচালক, গীতিকাৰ অভিজিত ভট্টাচাৰ্য। আজি পুৱা ৭.৩০ বজাত মালিগাঁও জয়ানগৰ নামঘৰ পথস্থিত নিজ বাসগৃহত তেওঁৰ মাতৃ প্ৰমদা দেৱীয়ে ইহসংসাৰ ত্যাগ কৰে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৯ বছৰ। দীৰ্ঘদিন ধৰি হৃদৰোগজনিত বেমাৰত ভুগি আছিল প্ৰমদা দেৱী। উল্লেখ্য যে, নাট্যকাৰ অভিজিত ভট্টাচাৰ্যৰ ৰচিত প্ৰতিখন নাটকৰ প্ৰথমজন শ্ৰোতা আছিল প্ৰমদা দেৱী। অৰ্থাৎ নাটক এখন লিখি অভিজিত ভট্টাচাৰ্যই প্ৰথমতে তেওঁৰ মাকক গাই শুনাইছিল। প্ৰমদা দেৱী আছিল বিশিষ্ট নাট পৰিচালক, গীতিকাৰ, লেখক হেম ভট্টাচাৰ্যৰ পত্নী তথা সাংস্কৃতিক ক্ষেত্ৰখনৰ এগৰাকী অগ্ৰণী কৰ্মী। মৃত্যুৰ সময়ত তেওঁ একমাত্ৰ পুত্ৰ অভিজিত ভট্টাচাৰ্য, বোৱাৰী ড০ চন্দনা শৰ্মা আৰু জী-জোঁৱাইৰ লগতে নাতি-নাতিনীৰ উপৰি অগণন গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়। তেখেতৰ মৃত্যুত ভাৰতীয় জনতা পাৰ্টী, সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেইবাগৰাকী বিষয়ববীয়াৰ উপৰি ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰযোজক আৰু শিল্পী, কলা-কুশলীৰ লগতে আহ্বায়ক সমিতিসমূহে গভীৰ শোক প্ৰকাশ কৰিছে। আৱাহন থিয়েটাৰৰ প্ৰতিষ্ঠাপক প্ৰযোজক তথা অসম সৌৰভ কৃষ্ণ ৰয়, জনপ্ৰিয় অভিনেত্ৰী তথা আৱাহন থিয়েটাৰৰ প্ৰযোজক প্ৰস্তুতি পৰাশৰ, জনপ্ৰিয় অভিনেতা যতীন বৰা, উৎপল দাস, প্ৰসেনজিৎ বৰা, সঞ্জীৱ শৰ্মা, ডেষ্টিনীৰ স্বত্বাধিকাৰী ধ্ৰুৱজিত কলিতা, বিশিষ্ট নাট্যকাৰ-পৰিচালক ধ্ৰুৱজ্যোতি শৰ্মা, ইতিহাস থিয়েটাৰৰ প্ৰযোজক সুভাষ চন্দ্ৰ দাস, ৰাজতিলক থিয়েটাৰৰ মুখ্য পৃষ্ঠপোষক তথা বৰপেটা জিলাৰ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা, থিয়েটাৰ সূৰ্য্যৰ প্ৰযোজক মুনীন্দ্ৰ বৰ্মন, বৰদৈচিলা থিয়েটাৰৰ প্ৰযোজক নজৰুল ইছলাম, হেঙুল থিয়েটাৰৰ প্ৰযোজক সংকল্পজিৎ হাজৰিকা, থিয়েটাৰ ভাগ্যদেৱীৰ প্ৰযোজক সুবোধ মজুমদাৰ, ৰাজমুকুট থিয়েটাৰৰ প্ৰযোজক মানস কলিতা, লুইতপৰীয়া থিয়েটাৰৰ প্ৰযোজক সানচোৱাং বসুমতাৰী, অভিনেতা যোগেশ কাশ্যপ, সুকুমাৰ বৰ্মন, নাট্যকাৰ ভাস্কৰজ্যোতি শৰ্মা, গিৰিধন তালুকদাৰ, তগৰ সাংস্কৃতিক গ্ৰুপ আদিৰ লগতে অসমৰ ভিন্ন প্ৰান্তৰ গণ্য মান্য ব্যক্তিয়ে প্ৰমদা দেৱীৰ বিদেহ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# ভাৰত-বাংলাদেশ সীমান্তৰ বিন্নাচৰাত প্ৰেমজনিত ঘটনাৰ বাবে নাবালিকাৰ আত্মহত্যা

**ই-সংবাদ, গোলকগঞ্জ, ২০ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত ভাৰত-বাংলাদেশ সীমান্তৰ বিন্নাচৰা তৃতীয় খণ্ড গাঁৱত আজি পুৱা প্ৰেমজনিত কাৰণত হতাশাত ভুগি এগৰাকী নাবালিকা চৰম পন্থা অৱলম্বন কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গাঁওখনৰ ফজলে ৰহমানৰ কন্যা ফৰিদা খাতুন (১৬)ৰ লগত একে গাঁৱৰে নফিজুল হকৰ পুত্ৰ ছানিদুল হকৰ দীৰ্ঘদিনৰ পৰা আছিল প্ৰেমৰ সম্পৰ্ক। ছয় মাহ পূৰ্বে স্থানীয় ৰাইজে দুয়োকে আপত্তিজনক অৱস্থাত পাই ৰাজহুৱা মেলৰ আয়োজন কৰে। উপযুক্ত বয়সত দুয়োৰে বিয়া পাতি দিব বুলি গাঁওখনৰ মাতব্বৰে অভিভাৱকৰ লগত এখন চুক্তিপত্ৰ কৰি দিয়ে। দুয়ো পৰিয়ালৰ মাজত যোগাযোগ ঠিকে আছিল যদিও শেহতীয়াকৈ যুৱকজনৰ মাতৃ ছকিনা বিবি এই সমন্ধৰ মাজত হঠাৎ হেঙাৰ হিচাপে থিয় দিয়ে। নিজ পুত্ৰ ছানিদুলৰ পৰা ম'বাইল কাঢ়ি নিয়াৰ লগতে ছোৱালীজনীৰ ঘৰলৈ যোৱাটো বাধা দিয়ে। ইয়াতে ক্ষান্ত নাথাকি অইন স্থানত পুত্ৰৰ বিয়া ঠিক কৰে। সম্ভাব্য বোৱাৰীক ছানিদুলৰ লগত যোগাযোগ নকৰিবলৈ ফোন যোগে দাবী ধমক দিয়ে। তদুপৰি জোৰ জবৰ্দস্তি বিয়াত বহিলে জ্বলাই হত্যা কৰাৰো ভাবুকি দি থকা বুলি কিশোৰীৰ মাতৃয়ে আজি প্ৰকাশ্যে অভিযোগ কৰে। আজি পুৱা অইন দিনৰ দৰে কিশোৰীগৰাকীক ঘৰত থৈ পিতৃ-মাতৃ কাঁইটীয়াতাঁৰৰ সিপাৰত খেতি পথাৰত কাম কৰিব যায়। ঘৰত কোনো নথকাৰ সুযোগত কিশোৰীগৰাকীয়ে চিপ লয়। ওচৰ চুবুৰীয়াই প্ৰত্যক্ষ কৰি ৰছী কাটি বেৰভাংগী ৰাজ্যিক চিকিৎসালয়ত নিয়ে যদিও কিশোৰীগৰাকীৰ চিকিৎসকে মৃত্যু হোৱা বুলি ঘোষণা কৰে।

# পৰ্বতঝোৰাৰ মহামায়াত অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযান মিছনৰ ব্লক পৰ্যায়ৰ সভা

**ই-সংবাদ, পৰ্বতঝোৰা, ২০ ফেব্ৰুৱাৰীঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান মিছনৰ মহামায়া উন্নয়ন খণ্ড  কাৰ্যালয়ৰ বাকৰিত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান মিছনৰ ৰাজমণি ছিএল এফখনৰ বছৰেকীয়া হিচাপ-নিকাচৰ এখন সভা অনুষ্ঠিত হয়। উল্লেখ্য যে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান মিছনৰ মহামায়া উন্নয়ন খণ্ডৰ বিপিএম মনিৰুজ্জামান সেখৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত ৰাজমণি ছি এল এফখনৰ বিগত তিনি বছৰৰ হিচাপ-নিকাচ আৰু বছৰেকীয়া প্ৰতিবেদন দাখিল কৰে। উক্ত সভাতেই পুৰণি কমিটীখন ভংগ কৰি নতুনকৈ লাকী ৰয়ক সভানেত্ৰী, আলেয়া খাতুনক উপ-সভানেত্ৰী, হামিদা বেগমক সম্পাদিকা, মনছুৰা বেগমক যুটীয়া সম্পাদিকা আৰু নয়ন জ্যোতি বৰ্মনক বিত্তীয় সম্পাদিকা হিচাপে লৈ ৰাজমণি ছি এল এফখন পুনৰ নতুনকৈ গঠন কৰা হয়।সভাত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান মিছনৰ ধুবুৰী জিলাৰ ডিপিএম আছিফ আহাম্মেদ, ব্লক সমন্বয়ক ভাস্কৰ বৰ্মনৰ লগতে ৰাজমণি ছিএল এফৰ ৪৩৩ গৰাকী আত্মসহায়ক গোটৰ প্ৰতিনিধিৰ লগতে ২৩ খন ভি'অৰ সহস্ৰাধিক সদস্য উপস্থিত থাকে। উল্লেখ্য যে ভিঅ'খনৰ মুঠ ৫০৩০ গৰাকী সদস্য সক্ৰিয়ভাৱে গ্ৰাম্য জীৱিকা মিছনত কাম কৰি আছে বুলি বিপিএম গৰাকীয়ে সাংবাদিকক জানিবলৈ দিয়ে।

# শৌলমাৰী বিদ্যালয়ত চুৰিকাণ্ড

**ই-সংবাদ, গোলকগঞ্জ, ২০ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত শৌলমাৰী দ্বিতীয় খণ্ড গাঁৱত থকা ১৭৪৫ নং শৌলমাৰী সূৰ্য নাৰায়ণ প্ৰাথমিক বিদ্যালয়ত যোৱা নিশা চুৰিকাণ্ডৰ ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, অইন দিনৰ কালিও বিদ্যালয় ছুটি দি বিদ্যালয়ত তলা লগাই কৰ্তৃপক্ষ গুচি যায়। আজি পুৱা বিদ্যালয়লৈ আহি ৰান্ধনি ঘৰৰ তলা  ভঙা প্ৰত্যক্ষ কৰি হুৱাদুৱা লাগে। নিশা ৰান্ধনিশালৰ পৰা চোৰে কেৰাহী, বাল্টি, হেতা, খন্তি, কাহি, বাটি, গিলাচ আদি সকলো বাচন-বৰ্তনৰ লগতে মধ্যাহ্ন ভোজনৰ চাউল, দালি, পাচলি, তেল, হালধি, নিমখ সকলো চুৰি কৰি নিয়ে। খবৰ পাই ওচৰ-চুবুৰীয়া, বিদ্যালয় পৰিচালনা সমিতি কৰ্মকৰ্তাসকল আহি বিদ্যালয়ত উপস্থিত হয়। পিছত আলোচনা মৰ্মে এই সন্দৰ্ভত শৌলমাৰী আৰক্ষী পহৰা চকীত এজাহাৰ দাখিল কৰে।









# চামগুৰিৰ শ্ৰীশ্ৰী ব্ৰহ্মচাৰী সত্ৰৰ শিৱমন্দিৰত মহাশিৱৰাত্ৰিৰ আয়োজন

**ই-সংবাদ, পুৰণিগুদাম, ২০ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ চামগুৰিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী ব্ৰহ্মচাৰী সত্ৰৰ শিৱ মন্দিৰত বিগত বৰ্ষৰ দৰে এইবাৰো অহা ২৬, ২৭ আৰু ২৮ ফেব্ৰুৱাৰীত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাশিৱৰাত্ৰি উৎসৱ অনুষ্ঠিত হ'ব বুলি শিৱমন্দিৰ পৰিচালনা সমিতিৰ সভাপতি ৰাতুল চন্দ্ৰ শৰ্মা, যুটীয়া সম্পাদক লাৰু শৰ্মা আৰু বাবুল শৰ্মাই জানিবলৈ দিয়ে। কাৰ্যসূচী অনুসৰি ২৬ ফেব্ৰুৱাৰীৰ পুৱা ৭ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব বিশিষ্ট সমাজসেৱক তথা শিক্ষাবিদ গকুল চন্দ্ৰ শৰ্মাই, ৭.৩০ বজাত মন্দিৰৰ দ্বাৰ উন্মোচন আৰু নিত্য-নৈমিত্তিক পূজা আৰম্ভ। পৰৱৰ্তী সময়ত সত্ৰৰ প্ৰতিষ্ঠাতা শ্ৰীশ্ৰী বিশ্বম্ভৰ দেৱ মহাপ্ৰভুৰ সমাধিক্ষেত্ৰত স্মৃতি তৰ্পণ কৰিব শ্ৰীশ্ৰী ব্ৰহ্মচাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে। ইয়াৰ পিছত অসমৰ অস্তিত্ব ৰক্ষা সংগ্ৰামৰ শ্বহীদ লোকনাথ শইকীয়াৰ সমাধিক্ষেত্ৰত বন্তি প্ৰজ্বলন কৰিব কলিয়াবৰ জিলা বিজেপিৰ কৃষাণ মৰ্চাৰ সভাপতি বীৰেন শইকীয়াই। দিনৰ ১০ বজাত মণি গোস্বামীৰ নেতৃত্বত অঞ্চলৰ আয়তীসকলৰ সহযোগত জলযাত্ৰা তথা পানীতোলা অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে বিয়লি দুই বজাৰপৰা প্ৰয়াত খগেন বৰুৱাৰ সোঁৱৰণত মৰিগাঁৱৰ কৃষ্ণচূড়া নামতি দলৰ দ্বাৰা নাম পৰিৱেশন হ'ব। নিশা ৯ বজাৰপৰা নটবৰ নৃত্য কানন নৃত্য বিদ্যালয়ৰ পূজা বৰাৰ পৰিচালনাত ধৰ্মীয় নৃত্যানুষ্ঠান অনুষ্ঠিত হ'ব। উক্ত অনুষ্ঠানটি উদ্বোধন কৰিব কলিয়াবৰ জিলা বিজেপিৰ উপ-সভাপতি পাৰ্থ প্ৰতিম হাজৰিকাই আৰু বন্তি প্ৰজ্বলন কৰিব পুৰণিগুদাম মণ্ডল বিজেপিৰ প্ৰাক্তন সভাপতি মিন্টু শৰ্মাই। ২৭ ফেব্ৰুৱাৰীৰ পুৱা নিত্য-নৈমিত্তিক পূজাকে ধৰি বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে দিনৰ ২ বজাৰপৰা প্ৰয়াত সত্যনাথ শৰ্মাৰ সোঁৱৰণত ভাগ্যশ্ৰী দেৱীয়ে নাম পৰিৱেশন কৰিব। নিশা ৮ বজাৰপৰা প্ৰয়াত খৰ্গেশ্বৰ শইকীয়াৰ সোঁৱৰণত আৰু প্ৰকাশ কলিতা আৰু শশাংক কলিতাৰ পৰিচালনাত দক্ষ যজ্ঞ নাটক প্ৰদৰ্শন হ'ব। উক্ত নাটক উদ্বোধন কৰিব চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই। ২৮ ফেব্ৰুৱাৰীৰ পুৱা বিভিন্ন অনুষ্ঠানৰ পিছত দিনৰ ১.৩০ বজাৰপৰা "বৰ্তমান যুৱপ্ৰজন্ম আৰু আধ্যাত্মিকতা" শীৰ্ষক এখন আলোচনা-চক্ৰ অনুষ্ঠিত হ'ব। উক্ত আলোচনা-চক্ৰখনত কেইবাজনো বিশিষ্ট লোক উপস্থিত থকাৰ লগতে নিশা ৮.৩০ বজাত চম্পক শৰ্মাৰ ৰচিত আৰু দিব্যজ্যোতি বৰাৰ পৰিচালনাত সামাজিক নাটক দানৱ মঞ্চস্থ কৰা হ'ব। উক্ত নাটকখন বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে শুভ উদ্বোধন কৰিব বুলি মহা শিৱৰাত্ৰি উৎসৱ উদযাপন সমিতিৰ সভাপতি ললিত চন্দ্ৰ শইকীয়া আৰু যুটীয়া সম্পাদক অঞ্জন কুমাৰ শইকীয়া আৰু প্ৰমোদ কুমাৰ শৰ্মাই জানিবলৈ দিয়ে।

# মৰিগাঁৱত নাবালিকা ধৰ্ষণকাৰীক যাৱজ্জীৱন কাৰাদণ্ড

**ই-সংবাদ, মৰিগাঁও, ২০ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলাৰ মিকিৰভেটা আৰক্ষী থানাৰ অন্তৰ্গত চৰাইবাহী খাইগৰীয়া গাঁৱৰ যাদৱ বৰুৱা নামৰ এজন নাবালিকা ধৰ্ষণকাৰীক মৰিগাঁও পক'চ আদালতে আজি যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। প্ৰাপ্ত তথ্য মতে, এই লোকজনৰ বিৰুদ্ধে পাঁচবছৰ পূৰ্বে এক জঘণ্য ধৰ্ষণকাণ্ড সংঘটিত কৰাৰ অভিযোগত মিকিৰভেটা আৰক্ষী থানাত ৪৩/২০২০ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছিল। এই ঘটনাটোৰ তদন্ত কৰি মিকিৰভেটা আৰক্ষীয়ে মৰিগাঁও পক'চ আদালতত অভিযোগনামা দাখিল কৰিছিল। নাবালিকা ধৰ্ষণৰ উক্ত গোচৰ আৰু অভিযোগনামাৰ ভিত্তিত মৰিগাঁও পক'চ আদালতে পক'চ গোচৰ নং- ৪১/২০২০ ৰ অধীনত বিচাৰ প্ৰক্ৰিয়া চলাই আজি মৰিগাঁৱৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পক'চ আদালতৰ বিশেষ ন্যায়াধীশ এন এ আহমেদে পক'চ আইনৰ ৬ নং ধাৰাত দোষী সাব্যস্ত কৰি ধৰ্ষণকাণ্ডৰ অপৰাধী যাদৱ বৰুৱাক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰাৰ উপৰিও বিশ হাজাৰ টকাৰ জৰিমনা বিহে।



**মৰাণত ১০টা আহোম সংগঠনৰ শংকৰ সংঘ বিতৰ্কক লৈ বিশেষ সংবাদমেল, বৃহস্পতিবাৰে**

# চামগুৰিত চাৰি কুখ্যাত গৰুচোৰক আটক

**ই-সংবাদ, পুৰণিগুদাম, ২০ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে যোৱা নিশা গৰুচোৰৰ বিৰুদ্ধে অভিযান চলাই চাৰিজন কুখ্যাত গৰু চোৰক আটক কৰিবলৈ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীৰ নেতৃত্বত এটা আৰক্ষী দলে যোৱা নিশা চামগুৰিৰ আমনি অঞ্চলত এক গোপন খবৰৰ ভিত্তিত গৰু চোৰৰ বিৰুদ্ধে অভিযান চলায়। পৰৱৰ্তী সময়ত আৰক্ষীৰ দলটোৱে আমনিৰপৰা ইব্ৰাহীম আলী, বাবুল ইছলাম আৰু ইছলামউদ্দিন নামৰ তিনিজন গৰু চোৰক আটক কৰাৰ লগতেপৰৱৰ্তী সময়ত সোণাৰীবালি অঞ্চলৰপৰা মুকেশ আলী নামৰ আন এজন গৰু চোৰক আটক কৰে। আৰক্ষীয়ে যোৱানিশা আটক কৰা গৰুচোৰ কেইজনক চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে পৰৱৰ্তী সময়ত জখলাবন্ধা আৰক্ষী থানাৰ আৰক্ষীৰ হাতত গতাই দিয়ে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। উল্লেখ্য যে নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন স্থানত দিনকদিনে গৰু চোৰৰ উপদ্ৰৱ বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। নিশাৰ লগতে দিন-দুপৰতে গৃহস্থৰ পশুধন চুৰি কৰি ৰাইজক অতিষ্ঠ কৰি তুলিছে। চামগুৰি আৰক্ষী থানাৰ অধীনৰ বিভিন্ন অঞ্চলত চৰকাৰীকৰণ গাঁওৰক্ষীবাহিনী আছে যদিও উক্ত গাঁওৰক্ষী বাহিনীৰ নীৰৱ ভূমিকাৰ কাৰণেই অঞ্চলসমূহত সঘনাই গৰু চুৰি ঘটনা সংঘটিত হৈ আহিছে বুলি স্থানীয় সচেতন মহলে মতপ্ৰকাশ কৰিছে। ইফালে, চামগুৰি আৰু পুৰণিগুদামৰ অঞ্চলৰ একাংশ গাঁৱত ৰাইজে প্ৰতিনিশা পালপাতি পহৰা দি গৰু চুৰি কাণ্ড ৰোধৰ চেষ্টা চলাইছে। চামগুৰিৰ বিভিন্ন অঞ্চলত সঘনাই সংঘটিত হোৱা গৰু চুৰি কাণ্ড ৰোধৰ ক্ষেত্ৰত বৰ্তমান চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে বহুকেইজন গৰু চোৰক আটক কৰি জে'ললৈ প্ৰেৰণ কৰিছে যদিও বৰ্তমানো গৰু চুৰি কাণ্ড ৰোধ হোৱা নাই। এইক্ষেত্ৰত চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব বুলি স্থানীয় সচেতন মহলে মতপ্ৰকাশ কৰিছে। উল্লেখ্য যে নগাঁৱৰ লগতে সমগ্ৰ অসমতে গৰু চুৰিৰ খবৰে ৰাজ্যখনৰ জনতাক উদ্বিগ্ন কৰি আহিছে।

# মালৌপথাৰত আলি-আঃয়ে-লৃগাং পালন সৰ্বোদয় মহাবিদ্যালয়ৰ

**ই-সংবাদ, পশ্চিম যোৰহাট, ২০ ফেব্ৰুৱাৰীঃ** যোৰহাট মালৌপথাৰৰ সৰ্বোদয় মহাবিদ্যালয়ে খকনগুৰী ৰাইজৰ সহযোগত আলি-আঃয়ে-লৃগাং পালন কৰে। মাংগলিক কাৰ্যসূচীৰ পাছতে অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে সৰ্বোদয় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ বৰুৱাই। মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ৰমেন পাদুনে আলি-আঃয়ে-লৃগাঙৰ তাৎপৰ্য ব্যাখ্যা কৰি কৃষ্টি-সংস্কৃতি ৰক্ষাৰে উৎসৱ পালনৰ আহ্বান জনায়। মহাবিদ্যালয়খনৰ ভালেকেইগৰাকী অধ্যাপক-অধ্যাপিকাই অংশগ্ৰহণ কৰা সভাখনত মহাবিদ্যালয়খনৰ অভ্যন্তৰীণ গুণগত মান নিৰূপণ কোষৰ তত্বাৱধানত ছাত্ৰ-ছাত্ৰীসকলে ড° নমীতা বৰুৱাৰ ৰচনাৰে শিক্ষাই শক্তি নামৰ সজাগতামূলক নাটক মঞ্চস্থ কৰে। ছাত্ৰীসকলে প্ৰদৰ্শন কৰে দলীয় নৃত্য। খকনগুৰী ৰংগমঞ্চত অনুষ্ঠিত আলি-আঃয়ে-লৃগাঙত মিচিং জনগোষ্ঠীৰ লোকসকলে জাতীয় সাজ-পাৰ পৰিধান কৰি গুমৰাগ প্ৰদৰ্শন কৰা অনুষ্ঠানত বহু লোকে অংশগ্ৰহণ কৰে।



লাহোৱালত বিদ্যুৎস্পৃষ্ট হোৱা ডাম্পাৰখন

# ডিব্ৰুগড়তো নিয়া-যক্ষ্মা কৰ্মচাৰী সন্থাৰ প্ৰতিবাদ, সমস্যা সমাধানৰ দাবী

**ই-সংবাদ, ডিব্ৰুগড়, ২০ ফেব্ৰুৱাৰীঃ** সমগ্ৰ ৰাজ্যৰ লগতে ডিব্ৰুগড়তো আজি নিয়া (এন এইচ এম এমপ্লয়িজ এচ'ছিয়েশ্যন) আৰু এন টি ই পিৰ (ৰাষ্ট্ৰীয় যক্ষ্মা দূৰীকৰণ আঁচনি) কৰ্মচাৰী সন্থাই এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ১৯৯৮ চনৰপৰা ৰূপায়ণ হৈ থকা ৰাষ্ট্ৰীয় যক্ষ্মা দূৰীকৰণ আঁচনিৰ অধীনৰ সমূহ কৰ্মচাৰীয়ে তেওঁলোকৰ দীৰ্ঘদিনীয়া দাবী পূৰণৰ বাবে চৰকাৰক বিভিন্ন সময়ত স্মাৰক-পত্ৰ প্ৰদান কৰাৰ লগতে আবেদন-নিবেদন জনাই আহিছে। কিন্তু চৰকাৰে সন্থাৰ এই দাবীক কোনোদিনে গুৰুত্ব প্ৰদান নকৰি সদায় মাহী আইৰ দৃষ্টিৰে চাই অহাৰ অভিযোগত এই প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। ডিব্ৰুগড় জিলা এন টি ই পি কৰ্মচাৰী সন্থাৰ সম্পাদক বিষ্ণু গোহাঁই আৰু সভাপতি বিশ্বজিৎ গগৈয়ে জানিবলৈ দিয়া অনুসৰি ইতিমধ্যে তেওঁলোকৰ মাজৰ ১৭ গৰাকী সহকৰ্মী এইপৰ্যন্ত যক্ষ্মাৰোগ বিভাগত কাম কৰি মৃত্যুক আকোঁৱালি লৈছে যদিও চৰকাৰে তেওঁলোকৰ পৰিয়ালৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে একোৱেই নকৰিলে। প্ৰতিবাদকাৰীসকলে ৰাজ্যিক কৰ্মচাৰীৰ সমহাৰত দৰমহা প্ৰদান কৰা, যক্ষ্মাৰোগ নিয়ন্ত্ৰণ বিভাগৰ সমূহ কৰ্মচাৰীৰ বাবে পেঞ্চন-গ্ৰেচুইটি আদিৰ ব্যৱস্থা কৰা, যক্ষ্মাৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰা কৰ্মচাৰীৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰা, বিনামূলীয়া চিকিৎসা সেৱা প্ৰদান কৰা আদি বিভিন্ন দাবীৰে সন্থাই এই প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। জিলা যক্ষ্মা কেন্দ্ৰত ৰূপায়ণ কৰা এই প্ৰতিবাদী কাৰ্যসূচীত এন ডি আৰ টি বি ৱাৰ্ডৰ জ্যেষ্ঠ চিকিৎসক ডাঃ নাচিম আহমেদ শইকীয়াও উপস্থিত থাকে। আনহাতে, জিলাখনৰ বিভিন্ন চিকিৎসা প্ৰতিষ্ঠানসমূহতো নিয়া আৰু এন টি ই পিৰ কৰ্মচাৰীসকলে কৰ্মবিৰতি পালন কৰে।

# মণিৰাম দেৱানৰ স্মৃতি দিৱসৰ আয়োজন

**ই-সংবাদ, পশ্চিম যোৰহাট, ২০ ফেব্ৰুৱাৰীঃ** ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ শ্বহীদ, অসমৰ প্ৰথমগৰাকী চাহ খেতিয়ক মণিৰাম দেৱানৰ স্মৃতি দিৱস যোৰহাটত কলিতা জনগোষ্ঠী সন্মিলন, অসমে যোৰহাট জিলা সমিতিৰ উদ্যোগত জিলা মহিলা সন্মিলনীৰ সহযোগত ২৬ ফেব্ৰুৱাৰীত তৰাজান সোণাৰি গাঁৱৰ জয়হিন্দ থিয়েটাৰত পালনৰ আয়োজন কৰিছে। সেইদিনা পুৱা ৯ বজাত কলিতা জনগোষ্ঠী সন্মিলনৰ পতাকা জিলা সভাপতি জীতেন শইকীয়াই উত্তোলন কৰাৰ পাছতে চিনামৰাত থকা মণিৰাম দেৱানৰ সমাধিত পুষ্পাঞ্জলি অৰ্পণ কৰিব বহুকেইগৰাকী ব্যক্তিয়ে। দিনৰ ১১ বজাৰপৰা কলিতা জনগোষ্ঠী, অসমৰ সভাপতি ডঃ সোণেশ্বৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব স্থানীয় বিধায়ক হিতেন্দ্ৰনাথ গোস্বামী আৰু কলিতা উন্নয়ন পৰিষদ, অসমৰ অধ্যক্ষ ডঃ ৰাজেন কলিতাই। নিৰ্দিষ্ট বক্তাৰূপে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপক ডঃ ৰক্তিম ৰঞ্জন শইকীয়াই বক্তৃতা প্ৰদান কৰিবলগীয়া সভাত বিশিষ্ট অতিথিৰূপে কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ মুখ্য উপদেষ্টা অৰবিন্দ চন্দ্ৰ কলিতা, ধনেশ্বৰ বৰ্মন, উপ-সভাপতি প্ৰদীপ শইকীয়া, সম্পাদক চিত্তৰঞ্জন ডেকাই অংশগ্ৰহণ কৰিব। ভালেকেইগৰাকীক আজীৱন সদস্য পদ প্ৰদান কৰিবলগীয়া সভাখনত ৰাইজৰ উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

# নগাঁৱৰ পশ্চিমাঞ্চলত চোৰে নিদ্ৰা হৰিছে গঞাৰ, ব্যৱস্থা গ্ৰহণৰ দাবী

## ড্ৰাগছ আসক্ত লোকে চুৰিকাৰ্য সংঘটিত কৰাৰ সন্দেহ

**ই-সংবাদ, বেবেজীয়া, ২০ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ জাজৰি আৰক্ষী থানাৰ এলেকাধীন বিভিন্ন অঞ্চলত বিগত কিছুদিনৰপৰা চোৰৰ টিঘিলঘিলনি অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰাত গঞা ৰাইজ শংকিত হৈ পৰিছে। চোৰৰ উৎপাত ইমানেই বাঢ়িছে যে সাধাৰণ মানুহে বাৰী কিম্বা পথাৰ ক'তোয়েই নিজৰ পোহনীয়া গৰু-ছাগলী এৰাল দি থৈ আহিব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছে। আনকি, ৰাতিৰ কথা বাদেই দিনৰ পোহৰতে চকলাঘাটৰ হাঁহচ'ৰা, কাছমাৰী পথাৰ, দীঘলীপাৰ, খৌৰামুহুৰ, বৰডুবীয়া, ৰজাগাঁও, ফুলনিআটি আদি পথাৰৰ পৰা এৰাল দি থোৱা গৰু-ছাগলী লৈ চোৰ উধাও হোৱাৰ বাতৰি পোৱা গৈছে। ঠিক সেইদৰে ৰাতি হ'লেই অঞ্চলবোৰৰ চাৰিআলি, তিনিআলিত থকা ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ দোকানত চোৰ সোমাই তহিলং কৰি আহিছে। জানিব পৰা মতে, যোৱা মঙলবাৰে নিশা পুৱ হাতীচোঙৰ চকলাঘাট ব্ৰাহ্মণগাঁও চাৰিআলিত থকা ভূপেন নাথ নামৰ ক্ষুদ্ৰ ব্যৱসায়ীজনৰ দোকানখনত চোৰে লুটপাত চলোৱাৰ বিপৰীতে ইয়াৰ সমীপৰে দৰঙীয়াল গাঁৱৰ এঘৰৰপৰা এখন স্কুটি তলা ভাঙি নিবলৈ ধৰোতেই গৃহস্থই গম পোৱাত দুৰ্বৃত্তই কৌশলেৰে পলায়ন কৰে। ইফালে, বুধবাৰে নিশা খৌৰামোচৰ গাঁৱৰপৰা সন্ধিয়া সময়তেই ঘৰৰ বাৰাণ্ডাৰ পৰাই এখন চাইকেল চোৰে চুৰি কৰি নিয়ে। তদ্ৰূপ ইয়াৰ কেইদিনমান পূৰ্বে একেনিশাই চকলাঘাটৰ খাটোৱালগাঁও আৰু দৰঙীয়াল গাঁৱৰ দুখন দোকানত চোৰে চুৰিকাণ্ড সংঘটিত কৰিছিল। উল্লেখ্য যে আগতে এইবোৰ অঞ্চলত সঘনে সংঘটিত হোৱা গৰু চোৰৰ ঘটনাই ৰাইজৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰিছিল যদিও এতিয়া গ্ৰামাঞ্চলৰ দোকান, গঞাৰ ছাগলী, স্কুটি, বাইক, চাইকেল আদিহে চোৰৰ সহজ লক্ষ্য হৈ পৰাটো চিন্তনীয় বিষয় হৈ পৰিছে। উক্ত অঞ্চলবোৰত ক্ৰমাৎ ড্ৰাগছ আসক্তৰ সংখ্যা বৃদ্ধি পাই অহাটোৱেই এনেদৰে চোৰৰ টিঘিলঘিলনি অভাৱনীয় হাৰত বৃদ্ধি পোৱাৰ মূল কাৰণ বুলি সচেতন লোকসকলে মত প্ৰকাশ কৰিছে। সেয়ে এনে দুষ্কাৰ্য ৰোধ কৰাৰ বাবে তৎকালে কাৰ্যকৰী পদক্ষেপ গ্ৰহণৰ লগতে গাঁওৰক্ষী বাহিনীক সক্ৰিয় কৰি তুলিবলৈ আৰক্ষীক ৰাইজে দাবী জনাইছে।

# এছএছডেকা মিডিয়া এণ্টাৰটেইমেণ্ট প্ৰাইভেট লিমিটেডৰ সফলতা

■ ইউ.পি.ব্ৰডকাষ্ট এণ্ড পাবলিচিটী

**চলচ্চিত্ৰ নিৰ্মাতা সমীৰণ** ডেকাই স্বতন্ত্ৰ চলচ্চিত্ৰ নিৰ্মানৰ ক্ষেত্ৰখনত সফলতাৰে নিজৰ স্থান সুদৃঢ় কৰি লৈছে। তেওঁৰ চলচ্চিত্ৰ "টিনছ অফ ৪২" আৰু "হোৱেৰ ইজ মাই হোম" দ্বিতীয় উত্তৰ-পূৰ্বাঞ্চল চলচ্চিত্ৰ মহোৎসৱ, মণিপুৰত প্ৰদৰ্শিত আৰু পুৰস্কৃত হৈছে। এছএছ ডেকা মিডিয়া এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডেৰ বেনাৰত নিৰ্মিত এই চলচ্চিত্ৰসমূহে শক্তিশালী কাহিনী আৰু শৈল্পিক বৰ্ণনাৰ বাবে স্বীকৃতি লাভ কৰিছে। বিশেষকৈ, "হোৱেৰ ইজ মাই হোমে" এই মহোৎসৱত শ্ৰেষ্ঠ তথ্যচিত্ৰৰ বঁটা লাভ কৰে, যাৰ জৰিয়তে সমীৰণ ডেকাৰ তথ্যচিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰখনত স্থান আৰু অধিক সুদৃঢ় হয়।







- **শ্ৰেষ্ঠ পৰিচালক (নন-ফিচাৰ ফিল্ম): সমীৰণ ডেকা ("টিনছ অফ ৪২")**
- **শ্ৰেষ্ঠ পৰিচালক (ফিচাৰ ফিল্ম): ধীৰাজ কাশ্যপ ("এমেচাৰ")**
- **শ্ৰেষ্ঠ শব্দ সম্পাদনা (ফিচাৰ ফিল্ম): বাঘজান :দেবজিৎ গায়ন (বাঘজানঃ পৰিচালক জাইচেং দহোতিয়া)**
- **শ্ৰেষ্ঠ তথ্যচিত্ৰৰ বঁটা: "হোৱেৰ ইজ মাই হোম" (সমীৰণ ডেকা)**
- **বিশেষ শ্ৰদ্ধাঞ্জলি: স্বৰ্গীয় ভাস্কৰ জ্যোতি দাস (চলচ্চিত্ৰৰ ক্ষেত্ৰলৈ তেওঁৰ অৱদানৰ বাবে মৰণোত্তৰভাৱে সন্মানিত )**



**শ্ৰেষ্ঠ তথ্যচিত্ৰৰ বঁটা বিজয়ী "হোৱেৰ ইজ মাই হোম"ৰ বিষয়েঃ**

ব্ৰু (ৰিয়াং) জনগোষ্ঠীৰ বাবে "ঘৰ"ৰ ধাৰণাটো দুযুগতকৈও অধিক সময় ধৰি এক স্বপ্নহে হৈ আহিছে। "হোৱেৰ ইজ মাই হোম" তথ্যচিত্ৰখনে ১৯৯৭ চনত মিজোৰামত হোৱা জাতিগত সংঘৰ্ষৰ পিছত ব্ৰু শৰণাৰ্থীসকলৰ ২৩ বছৰীয়া দুঃস্বপ্নক আলোকপাত কৰে। এই তথ্যচিত্ৰই ত্ৰিপুৰাৰ বিভিন্ন শিবিৰত জীৱন-যাপন কৰি থকা শৰণাৰ্থীসকলৰ সংঘৰ্ষ, সহিষ্ণুতা আৰু অপৰাজেয় আশাৰ কথা বৰ্ণনা কৰে, যিয়ে এনে এটা স্থানৰ সন্ধানত আছে যাক তেওঁলোকে ঘৰ বুলি ক'ব পাৰে।

চলচ্চিত্ৰখনৰ শক্তিশালী কাহিনী আৰু গভীৰ সামাজিক প্ৰভাৱে ইয়াক মহোৎসৱত শ্ৰেষ্ঠ তথ্যচিত্ৰৰ বঁটা প্ৰদান কৰে। ভাৰতৰ স্থানচ্যুত জনগোষ্ঠীসমূহৰ চলি থকা সমস্যাৰ প্ৰতিও দৃষ্টি আকৰ্ষণ কৰে।

এই স্বীকৃতিৰ জৰিয়তে সমীৰণ ডেকা আৰু এছএছ ডেকা মিডিয়া এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডে উত্তৰ-পূৰ্বাঞ্চলৰ চলচ্চিত্ৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা ব্যক্তি আৰু প্ৰতিষ্ঠান হিচাপে নিজৰ স্থান সুদৃঢ় কৰে।

## চিত্ৰগৃহলৈ আহিল...
## অবাস্তৱ সংগ্ৰামৰ সাৰাংশ
# 'দ্য মিৰাজ'




• ইউ.পি.ব্ৰডকাষ্ট এণ্ড পাবলিচিটী

**চিনেমাখনৰ অন্যতম আকৰ্ষণ হৈছে সংগীত নাটক একাডেমি বঁটা প্ৰাপক অভিনেতা গুণাকৰ দেৱগোস্বামী...**

**চিত্ৰগৃহলৈ আহিল** ২০২৫ চনৰ চতুৰ্থখন অসমীয়া চিনেমা 'দ্য মিৰাজ'। ইন্দ্ৰধনু ক্ৰিয়েচনৰ বেনাৰত যুৱ পৰিচালক বিকাশ মোছাহাৰী পৰিচালিত চিনেমাখনৰ প্ৰযোজক অনামিকা বৰুৱা।

সত্য কাহিনীৰ আধাৰত ৰচিত চিত্ৰনাট্যৰে পৰিচালিত চিনেমাখনে অসমৰ এক নিৰ্দিষ্ট সময়ৰ জ্বলন্ত দলিল হিচাপে বিবেচিত হ'ব বুলি পৰিচালকৰ তৰফৰ পৰা জানিব পৰা গৈছে।

চিনেমাখনৰ চিত্ৰনাট্য ৰচনা কৰিছে বাইমো আৰু ৰাজকিশোৰে। আবহ সংগীত মনদীপ মহন্তৰ। চিত্ৰগ্ৰহণকাৰী পাপু ডেকা।

চিনেমাখনৰ অন্যতম আকৰ্ষণ হৈছে সংগীত নাটক একাডেমি বঁটা প্ৰাপক অভিনেতা গুণাকৰ দেৱগোস্বামী।

তদুপৰি একাধিক গুৰুত্বপূৰ্ণ চৰিত্ৰ ৰূপায়ণ কৰিছে প্ৰশান্ত কুমাৰ দাস,নৱজিত কোঁৱৰ, জ্বলি লস্কৰ,সিদ্ধাৰ্থ মুখাৰ্জী,অভিজিত চুতীয়া আদিয়ে। আশা কৰা হৈছে, চিনেমাখনে অসমীয়া দৰ্শকক এক অন্য মনোৰঞ্জন প্ৰদান কৰিব।



# নগাঁৱত আৰম্ভ ছিনিয়ৰ মহিলা হকী প্ৰতিযোগিতা

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২০ ফেব্ৰুৱাৰীঃ** অসম হকী আৰু নগাঁও ক্ৰীড়া সংস্থাৰ যৌথ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত কাইলৈৰ পৰা ২৩ ফেব্ৰুৱাৰীলৈ ১৫ সংখ্যক অসম আন্তঃজিলা ছিনিয়ৰ মহিলা হকী প্ৰতিযোগিতাখনি অনুষ্ঠিত হ'ব। অসম হকীৰ সম্পাদক তপন কুমাৰ দাসে জনোৱামতে, ইতিমধ্যে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠা এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে ডিফেণ্ডিং চেম্পিয়ন ডিব্ৰুগড়, তিনিচুকীয়া, শদিয়া, লখিমপুৰ, ধেমাজি, তেজপুৰ, ওডালগুৰি, গুৱাহাটী, কৰিমগঞ্জ, ভেৰগাঁও আৰু বঙাইগাঁও জিলা দল ইতিমধ্যে নগাঁৱত উপস্থিত হৈছেহি। প্ৰতিযোগিতাৰ খেলসমূহ নক্ আউট পদ্ধতিত খেলোৱা হ'ব আৰু ফাইনেল খেলখন ২৩ ফেব্ৰুৱাৰীত বিয়লি আঢ়ে বজাত অনুষ্ঠিত হ'ব। ইপিনে, এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া বিগত বৰ্ষৰ ৰাণাৰ্ছ আপ নগাঁও জিলা দলটোৰ খেলুৱৈসকল হ'ল-ৰূপালী বড়ো, সুস্মিতা ডেকাৰজা, শিখামণি কোঁৱৰ, নৰনীতা পাটৰ, দীপা বিশ্বাস, বেবী খাটুন, চনীয়া ৰয়, প্ৰিয়ংকা, শ্বাতী সিং, আমিনা খাটুন, সুমন কুমাৰী থাপা, লিয়া মল্লিক, লুইচি ৰংমেই, মণিমালা দেৱী, শেফালী, বিজয়া বৰদলৈ ( অধিনায়িকা ), অংকিতা ভগত আৰু সবিতা কুমাৰী। উল্লেখিত নগাঁও জিলা দলটোৰ সৈতে বিক্ৰমজিৎ পাল প্ৰশিক্ষক আৰু শিবানন্দ মৰিয়া মেনেজাৰৰূপে আছে।

# ক্ৰিকেটত শিশু হ'ব বিচাৰে ধোনীয়ে

**নতুন দিল্লী, ২০ ফেব্ৰুৱাৰীঃ** আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটক বিদায় দিয়াৰ পিছতো আইপিএল খেল অব্যাহত ৰাখিব ভাৰতীয় দলৰ প্ৰাক্তন অধিনায়ক মহেন্দ্ৰ সিং ধোনীয়ে। এটা নতুন এপ মুকলি অনুষ্ঠানত তেওঁ কয় যে তেওঁ যিমান দিন খেলে তেতিয়ালৈকে শিশুৰ দৰে ক্ৰিকেট উপভোগ কৰিব বিচাৰে। ৪৩ বছৰীয়া ধোনীয়ে কয়, "২০১৯ চনত অৱসৰ লৈছিলো, এতিয়া বাকী থকা সময়খিনিৰ বাবে ক্ৰিকেট উপভোগ কৰিব বিচাৰিছো। মই সৰুতে কৰা দৰে সৰলতাৰে খেলিব বিচাৰো, যদিও সেইটো কোৱাটো সহজ, কৰাটো কঠিন।" ধোনীৰ বক্তব্যৰ পৰা স্পষ্ট হৈ পৰিছে যে তেওঁ এতিয়াই আই পি এলৰ পৰা অৱসৰ ল'ব নিবিচাৰে।




এখন মান ৰক্ষাৰ যুঁজ! ডুবাইত অনুষ্ঠিত চেম্পিয়নছ ট্ৰফীৰ প্ৰথম মেচত বাংলাদেশৰ বিৰুদ্ধে বিজয়ৰ পম খেদি ৰোহিত

## জাতীয় দললৈ প্ৰত্যাৱৰ্তন কৰিয়েই অভিলেখ মহম্মদ ছামীৰ

# এদিনীয়াত ২০০ উইকেট লাভ কৰা বিশ্বৰ দ্ৰুততম বলাৰ হ'ল ছামী

**নতুন দিল্লী, ২০ ফেব্ৰুৱাৰীঃ** চেম্পিয়নছ ট্ৰফীত দুৰ্দান্ত প্ৰদৰ্শনেৰে পুনৰ এবাৰ ক্ৰিকেট অনুৰাগীৰ হৃদয় জয় কৰিবলৈ সক্ষম হ'ল মহম্মদ ছামীয়ে। বাংলাদেশৰ বিৰুদ্ধে ৫টা উইকেট দখল কৰি ভাৰতৰ জয়ৰ বাট মুকলি কৰি দিলে ভাৰতীয় এই পেচাৰগৰাকীয়ে। তাৰ লগতে তেওঁ কেইবাটাও অভিলেখ গঢ়িবলৈ সক্ষম হয়। এদিনীয়া মেচত ২০০টা উইকেট দখল কৰা দ্ৰুততম বলাৰ হোৱাৰ উপৰিও আইচিচি প্ৰতিযোগিতাত ভাৰতৰ সৰ্বাধিক উইকেট দখলকাৰী হিচাপেও পৰিগণিত হৈছে ছামী। উল্লেখ্য যে, এবছৰ ধৰি জাতীয় দলৰ পৰা আঁতৰি থকাৰ পিছত ছামীয়ে পুনৰ প্ৰত্যাৱৰ্তন কৰে। দীৰ্ঘদিন ধৰি মূল এঘাৰৰ পৰা বাহিৰত থকাৰ পিছত তেওঁ চেম্পিয়নছ ট্ৰফীৰ বাবে দলত স্থান লাভ কৰে। এই সুযোগ লাভ কৰিয়েই বাংলাদেশৰ বিৰুদ্ধে ৫৩ ৰানত ৫টা উইকেট দখল কৰি তেওঁ এককভাৱে বিপক্ষৰ বেটিং লাইনআপ ধৰাশায়ী কৰি পেলায়। এই মেচখনতে এদিনীয়াত ২০০ উইকেটৰ মাইলৰ খুঁটিতো উপনীত হয় মহম্মদ ছামী। এই অভিলেখৰ পথত তেওঁ অষ্ট্ৰেলিয়াৰ তাৰকা পেচাৰ মিচেল ষ্টাৰ্ককো অতিক্ৰম কৰে। এতিয়া কম মেচ আৰু কম ডেলিভাৰীত ২০০ উইকেট দখল কৰাৰ অভিলেখ ছামীৰ হাতত আছে। একে সময়তে আই চি চি টুৰ্ণামেণ্টত ভাৰতৰ সৰ্বাধিক উইকেট দখল কৰাৰ তালিকাত জাহিৰ খানক চেৰ পেলাইছে ছামীয়ে। বৰ্তমান তেওঁৰ বেল্টৰ অধীনত আইচিচিৰ ৬০টা উইকেট আছে। আইচিচি প্ৰতিযোগিতাৰ ইতিহাসত সৰ্বাধিক উইকেট দখলকাৰীৰ তালিকাত সপ্তম স্থানলৈ উন্নীত হৈছে তাৰকা পেচাৰ মহম্মদ ছামী। লগতে এদিনীয়া খেলত ২০০ৰো অধিক উইকেট দখল কৰা সপ্তমজন ভাৰতীয় বলাৰ হিচাপে পৰিগণিত হয়। চেম্পিয়নছ ট্ৰফীত ভাৰতীয় বলাৰৰ ভিতৰত তেওঁৰ দ্বিতীয় শ্ৰেষ্ঠ বলিং ফিগাৰ আছে। এই অভিজ্ঞ পেচাৰগৰাকীয়ে ৫৩ ৰানত ৫ উইকেট দখল কৰি ক্ৰীড়ানুৰাগীৰ দৃষ্টি পুনৰবাৰ আকৰ্ষণ কৰে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনভৰি